CONTENTS

REFERENCE
NOT FOR ISSUE

BUDGET SESSION

No.—3

Dated, the 13th December, 1996

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Discussion During Zero Hour | 72 |
| 3. | Notice of Disapproval Motion | 84 |
| 4. | Call Attention Notice | 90 |
| 5. | Matter under Rule 301 | 94 |
| 6. | Private Members Resolution | 101 |
| 7. | Presentation of Annual Financial Statement | 109 |
| 8. | Announcement from the Chair | 143 |
| 9. | Laying of statement | 143 |
| 10. | Introduction of Government Bill | 144 |
| 11. | Matter Under Rule 49 | 145 |
| 12. | Adjournment | 166 |
| 13. | Annexure—1 to X | 166 to 215 |

# Debates of the Assam Legislative Assembly

Friday, December 13, 1996

The House met at 8-30 A. M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Good morning everybody. Now Starred question No. 41, Hon'ble Member Shri Derhagra Mochahary, Hon'ble Minister, P. W. D. is to reply.

RE : CONSTRUCTION OF BARALIA BRIDGE

Shri Derhagra Mochahary asked, :

★ 41 Will the Minister of P. W. D. be pleased to state :

(a) Whether Government had proposed to construct Baralia Bridge which had been washed away by flood water about fifteen years back near Kachukata ?

Shri Atul Bora. ( Minister of P. W. D ) replied :

(a) Yes.

★ শ্ৰীদেৱহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, বৰলীয়া নদীৰ যিখন দলংৰ কথা কোৱা হৈছে সেইখন আজি ১৫/১৬ বছৰ মান আগতে বানপানীয়ে উটুৱাই নিছে আৰু তাৰ ফলত এটা বিস্তৃত অঞ্চলৰ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ বন্ধ হৈ গৈছে। এতিয়া ৰঙীয়া হৈ ঘূৰি যোৱাৰ বাহিৰে অন্য ৰাস্তা নাই। এই দলং খনৰ কাৰণে যোৱা বছৰ আগৰ চৰকাৰৰ দিনত টেণ্ডাৰ কল কৰা হৈছিল যদিও তাত কাম নহ'ল। এই দলং খন যিহেতু এখন গুৰুত্বপূৰ্ণ দলং তাৰ প্ৰতি লক্ষ্য ৰাখি এই চৰকাৰে সোনকালে দলং খন নিৰ্মাণ কৰা কাৰণে ব্যৱস্থা হাতত লব নে ?

★ শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই দলং নিৰ্মানৰ কথাটো বি, এ. চিৰ. অধীনত হোৱা হেতুকে তেওঁলোকৰ পৰা অনুমোদনৰ প্ৰয়োজন। গতিকে তেওঁলোকৰ পৰা অনুমোদন পালেই ফে্চ টেণ্ডাৰ কল কৰি কাম কৰা কাৰণে ব্যৱস্থা গ্ৰহন কৰা হব।

Shri Kali Ranjan Deb : Hon'ble Speaker Sir, the work of the bridge in my Katigora Constituency has been supended in the month of December, 1995 due to non-availability of fund. This bridge is a very important one and the border is only half a kilometre away from the bridge.

Mr. Speaker : It is not a relevant question.

★ শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই দলংখনৰ কথা কওঁতে বি, এ, চি. ৰ অনুমোদনৰ কথা কৈছে। কিন্তু এই ক্ষেত্ৰত মই তেখেতৰ পৰা এটা কথা জানিব খুজিছো যে আমাৰ ইণ্টাৰনেচনেল বৰ্ডাৰ ৰ'ড ডেভেলপমেণ্টৰ কাৰণে যি টকা দিয়া হৈছে সেই টকা ৰেভিনিউ ডিপজিটত থকা কথাটো তেখেতে জানে নে ?

★ শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত ইণ্টাৰনেচনেল ব'ডৰ

★ Speech not corrected

কথা অহা নাই। ইয়াৰ বাবে তেখেতে বেলেগ প্ৰশ্ন দিলে কব পৰা হব।

Mr. Speaker : Now starred question No 42. Questioner Shri Sambhu Sing Mallah, Hon'ble Minister P. W. D. is to reply.

*বিষয়— যান বাহন চলাচলৰ উপযুক্ত ব্যৱস্থা*

শ্ৰীশম্ভু সিং মাল্লা জিজ্ঞাসা করছেন :

★ ৪২ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) চরকার কি অবগত করিমগঞ্জ P. W. D ডিভিশনের অন্তগত রাতাবাড়ী (তপশীল) সমষ্টির যে সব বেহাল বিভাগীয় রাস্তায় দীর্ঘ দিন যাবত্ যানবাহন বন্ধ হইয়া পড়িয়াছে ?

(খ) দীর্ঘ দিনের দাবি স্বত্বেও চরকার কোন রকমেৰ সংস্কারের পদক্ষেপ নিশ্চেন না কেন, এই সরকার পূর্ত্ত বিভাগীয় রাস্তা গুলিকে Grave-lling, Mettaling এবং Black Topping করে যান বাহন চলাচলের উপযুক্ত করার জন্য কোন পৰিকল্পনা নিয়াছেন কি ?

(গ) যদি হ্যা, কখন ?

(ঘ) এই সমষ্টির অন্তর্গত বিভাগীয় কোন কোন রাস্তাতে কোন কোন Fund হয়তে বিগত ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫, ১৯৯৫-৯৬ অর্থবত্সরে কত টাকা কোন খাতে মঞ্জুর করা হইয়াছিল এবং কত টকু কাজ হইয়াছে জানাবেন কি ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ইয়াৰ কিছুমান ৰাস্তা International Border Area Development Scheme ৰ অধীনত উন্নতি কৰণৰ কাৰণে লোৱা হৈছে আৰু

কিছুমান ৰাস্তা বাৰ্ষিক পৰিকল্পনা ১৯৯৬–৯৭ চনৰ অধীনত লোৱা হৈছে।

(গ) এই কাম বিলাকৰ অনুমোদন হলে আৰু বিত্তীয় আৱণ্টণ সাপেক্ষে কাম লোৱা বিলাক কৰা হব।

(ঘ) এই ৰাস্তা বোৰ মেৰামতিৰ বাবে পুঁজি বাৰ্ষিক মেৰামতিৰ শিতানত দিয়া হয় যদিও প্ৰতি বছৰে পুঁজি আবণ্টণ কৰোতে কোনোবা নিৰ্দিষ্ট ৰাস্তাৰ বাবে আৱণ্টণ দিয়া নহয়।

★ শ্ৰীশম্ভু সিং মাল্লা : মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মন্ত্ৰী মহোদয়ের দৃষ্টি আকৰ্ষণ করে বলতে চাই যে ১নং রাতাবাড়ী সমষ্টির মধ্যে গুরুত্ব-পূর্ণ দুই টি রাস্তা হলো ১। আনিপুর থেকে অলিভা চেরা রংপুর রাস্তা যার দৈর্ঘ্য হলো ২৪/২৫ কিঃ মিঃ এবং ২। কালীনগর থেকে কালী-বাড়ী ভৈরব নগর রাস্তা যার দৈর্ঘ্য মাত্র ১৫/১৬ কিঃ মিঃ। এই দুই টি রাস্তা প্রতি বছর বর্ষার দিনে বৃষ্টির জলে প্রায় ৮/৯ মাস বন্ধ হয়ে থাকে। সুতরাং এই রাস্তাগুলি আগামী বর্ষার পূর্বে মেরামতির ব্যবস্থা করে জনসাধারনের চলাচলের উপযোগী করার ব্যবস্থা করবেন কি?

★ শ্ৰীঅতুল বৰা (মন্ত্ৰী) অধ্যক্ষ মহোদয়, তেখেতে যি কেইটা ৰাস্তাৰ কথা উল্লেখ কৰিছে সেই ৰাস্তা কেইটাৰ ক্ষেত্ৰত যিমান খিনি পৰা যায় কৰিবলৈ চেষ্টা কৰিম।

★ শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে ইণ্টাৰনেচনেল বৰ্ডৰ ৰ'ড ডেভেলপমেণ্টৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যিমান টকা দিছে সেই টকাৰ ১৯৯৪–৯৫ চনৰ ৩০ শতাংশ টকা এতিয়াও ৰেভিনিউ ডিপজিট হৈ আছে? যদি এনেকৈ টকা আৰু ডিত ৰখা হয় তেনেহলে ৰাস্তাৰ কাম কেনেকৈ হব।

★ শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰেভিনিউ ডিপজিট হোৱাৰ কাৰণে

★ Speech not corrected

কেৱল গড়কাপ্তানী বিভাগৰে নহয় অন্যান্য বহুতো বিভাগৰ অসুবিধা হৈছে। এই ব্যৱস্থাটো আচলতে আগৰ চৰকাৰৰ দিনতে আৰম্ভ হৈছিল। এতিয়া আমাৰ চৰকাৰে এই টকাবোৰ অলপ অলপকৈ ৰিলিজ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই টকা খিনি আমি ৰিলিজ কৰাৰ লগে লগে যি নিৰ্দ্দিষ্ট কাম কৰিবলৈ বাকী আছে সেইবোৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

★ শ্ৰীভীমানন্দ তাঁতী : অধ্যক্ষ মহোদয়, ৰঙাপাৰা মিছামাৰী ৰাস্তাত এখন দলংৰ কাৰণে যোৱা ১৯৭০ চনৰ ১৫ জুনতে ওৱৰ্ক এলটমেণ্ট হৈছিল কিন্তু সেই কাম আজিও তেনেকৈয়ে পৰি আছে। দ্বিতীয়তে বৰডুবীত এখন দলংৰ কাৰণে ১৯৯৪ চনৰ ১ এপ্ৰিলতে ওৱৰ্ক এলটমেণ্ট হৈছিল কিন্তু আজিলৈকে কাম সম্পূৰ্ণ হোৱা নাই। ঠিক তেনেকৈ ডিপোটাৰ দলং খনো আজিলৈকে সম্পূৰ্ণ হোৱা নাই। এতিয়া সেই ৰাস্তাবোৰত যিবিলাক চাবওৱে দি গাড়ী চলাচল কৰি আছে সেইবোৰ কেনেবাকৈ নষ্ট হলে বা বাৰিষা পানীত ডুব গলে সেই অঞ্চলবোৰৰ যোগাযোগ একেবাৰে বন্ধ হৈ যাব। এই বিষয় বিলাক মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ হৈছে নে নাই আৰু যদি হৈছে তেনেহলে এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহন কৰিব নে ?

★ শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কেইখন দলংৰ কথা কলে সেই কেইখন দলং আমি টকা পইচাৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা নাই। এতিয়া আমি এটা ডিচিচন লৈছো যে যিবিলাক দলং আধৰুৱা হৈ আছে সেইবিলাক দলং সোনকালে সম্পূৰ্ণ কৰিম। ইফালে প্লেনিং কমিচনৰ গাইড লাইন মতে আমি ৩৬ কোটি টকা পাইছো যদিও এখন আৰ, চি, চি, দলংৰ কাৰণে ২ কোটি মান টকাহে পাইছো। কিন্তু সেই টকাৰে সকলো আৰ, চি, চি, ব্ৰীজ সম্পূৰ্ণ কৰিব নোৱাৰি। এতিয়া আমি যি কেইখনৰ কাম সম্পূৰ্ণ কৰিব পৰা যায় সেই কেইখনৰ কাম হাতত লম। আন এটা কথা হ'ল আগৰ চৰকাৰে বহুতো ঠিকাদাৰক

★ Speech not corrected

টকা দিব নোৱাৰা কাৰণে তেওঁলোকে কাম কৰিবলৈ আগবাঢ়ি নাহে । গতিকে আমি এই সিদ্ধান্ত লৈছো প্ৰথমতে অসম্পূৰ্ণ দলং খিনিৰ কাম সম্পূৰ্ণ কৰিম। মাননীয় সদস্য গৰাকীয়ে যি কেইখন দলংৰ কথা কৈছে সেই কেইখন বৰ্ত্তমান কি আছে সেইটো মই বিভাগক শুধি জনাব পাৰিম ।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ কিমান টকা ৰেভিনিউ ডিপজিট হৈ আছে সেইটো জনাব নে ?

★ Shri Sukhendu Shekhar Dutta : May I repuest the Hon'ble Minister, P. W. D. to take up this road in priority basis.

★ শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আচলতে কেইবাটাও গুৰুত্বপূৰ্ণ ৰাস্তাৰ অৱস্থা বেয়া। তেখেতে যিটো কৈছে সেইটোও গুৰুত্বপূৰ্ণ, সেইটো বুজাত অসুবিধা হোৱা নাই। কিন্তু কাম বিলাক হোৱা নাই । দেৰী হৈছে আৰু দেৰী হোৱাৰ বহুতো কাৰণ আছে । আমাৰ চৰকাৰ যেতিয়া হৈছিল তেতিয়া বৰষাৰ বতৰতেই হৈছিল। সেই সময়ত ৪ মাহ কামেই হোৱা নাই । তেখেতে যি কেইটা ৰাস্তাৰ কথা কৈছে তাৰ ভিতৰত কিছু কৰিব পাৰিম। কিন্তু গোটেই কেইটা ৰাস্তা এবছৰৰ আগতে কৰিব নোৱাৰিম ।

★ শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা দোলাশাল হাজো ৰাস্তাৰ বহু কেইখন পকী ব্ৰীজ বনোৱা হৈছে। কিন্তু এপ্ৰোচ ক্লিয়াৰ নোহোৱাৰ কাৰণে এতিয়াও ইউজ কৰিব পৰা নাই। গতিকে এপ্ৰোচ ক্লিয়াৰ কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ কথাটো মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যি কেইখন ব্ৰীজ হৈছে কিন্তু এপ্ৰোচ হোৱা নাই অহা বাৰিষাৰ আগে আগে সেই এপ্ৰোচবোৰ

★ Speech not corrected

সম্পূৰ্ণ কৰি সেই আৰ চি, চি. ব্ৰীজবোৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা হব ।

Mr. Speaker : Now Starred Question No 43. Questioners Shri Mohan Das. Hon'ble Minister, Health is to reply.

*বিষয়—১০০ খন বিচানাযুক্ত চিকিৎসালয়*

শ্ৰীমোহন দাসে সুধিছে :

★ ৪৩ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বজালী মহকুমা গঠন হোৱাৰ ৭ বছৰ অতিক্ৰম হোৱাৰ পিছতো আজিলৈকে ১০০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন নকৰাৰ কাৰণ কি ?

খ) বৰ্ত্তমানে বজালী মহকুমাৰ পাঠশালাত এখন ১০০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মানৰ প্ৰস্তাৱ আছেনে ?

গ) যদি আছে ইয়াৰ কাৰ্য্যকৰী চলিত বছৰতে কৰিবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) পৰ্য্যাপ্ত পুঁজিৰ অভাৱ ।

খ) প্ৰতিখন মহকুমাৰ সদৰ ঠাইত ১০০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন কৰাৰ অনুমোদিত নীতি আছে ।

গ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব ।

★ শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে যোৱা কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়কে ধৰি আন যি কেইখন চিকিৎসা মহাবিদ্যালয় আছে সেই কেইখনৰ সম্পৰ্কত যিটো ব্যৱস্থা লৈছে আমি শুনি সুখী হৈছো । মাননীয় অধ্যক্ষ মহোদয়, মই বজালী

★ Speech not corrected

মহকুমাৰ প্ৰাণকেন্দ্ৰ পাঠশালাত যিখন ৩০ খন বিচনাযুক্ত পি, এইচ, চি আছে সেইখনৰ সম্পৰ্কত কব বিচাৰিছো। বজালী মহকুমা হবৰ আজি ৭ বছৰ মানেই হ'ল। কিন্তু বৰ্তমান অৱস্থাতো উক্ত হস্পিতালখনত ৩০ খন বিচনাৰ পৰিবৰ্তে মাত্ৰ ৮ খন মান বিচনাহে আছে। সেইখন হস্পিতালৰ ইনড'ৰ বিভাগটো আজিও সম্পূৰ্ণ কৰা নহ'ল। আউটড'ৰ বিভাগটোতেই কোনো মতে চলি আছে। যোৱা ধুমুহাত সেই হস্পিতালখনৰ ৰান্ধনী ঘৰৰ চালি উৰুৱাই লৈ গ'ল। সেইটো ভাল কৰাৰ কাৰণে পুঁজিৰ অভাব। সেইটো মেৰামতি কৰাৰ দায়িত্ব ভাৰ পি, এইচ, ই ওপৰত আছে। তেওঁলোকক কলে ঠিকাদাৰ নাই বুলি কয়। ঠিকাদাৰ যোগাৰ কৰি দিলে কামতো কৰিব বুলি কয়।

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্ন কৰক।

★ শ্ৰীমোহন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসাৰ ক্ষেত্ৰত সেই অঞ্চলৰ ৰাইজৰ কেনেকুৱা অৱস্থা হব সেইটো আপোনালোকে বুজিব। পুঁজিৰ অভাবৰ কথাটো মই জানো। মোৰ প্ৰশ্নতো হৈছে এই হস্পিতালখনৰ কাম বিলাক কেতিয়া সম্পূৰ্ণ কৰিব সেইটো মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আমাৰ অনুমোদিত নীতি অনুসৰি প্ৰতিখন মহকুমাত ১০০ খন বিচনাযুক্ত হস্পিতাল থাকিব লাগে। আমাৰ অসমত ২৫ টা মহকুমা আছে। তাৰ ভিতৰত ২ খন মহকুমাত কাম চলি আছে, ১০ খন মহকুমাত সম্পূৰ্ণ হোৱাৰ পথত আৰু ১৩ খন মহকুমাত ৯ম-৫ম বাৰ্ষিক পৰিকল্পনাত ব্যৱস্থা লোৱা হব। বজালী মহকুমাত দেৰী হোৱাৰ আৰু আনুষঙ্গিক কাৰণ আছে। সেই মহকুমা হেড কোৱাটাৰৰ স্থান নিৰ্দ্ধাৰণ কৰোতেই বহুত পলম হ'ল। মাননীয় সদস্য গৰাকীৰ লগত মই একমত আৰু আমি ৯ম-৫ম বাৰ্ষিক পৰিকল্পনাত সেই মহকুমাত ১০০ খন

★ Speech not corrected

বিছনাযুক্ত চিকিৎসালয়খন পতাৰ কাৰণে ব্যৱস্থা ল'ম।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে তেওঁ যি ১৩ খন হস্পিতালৰ কথা কৈছে সেই হস্পিতাল কেইখনৰ নাম কি আৰু এই হস্পিতাল কেইখনৰ সম্পৰ্কত পি এণ্ড ডি আৰু ফাইনেঞ্চ বিভাগৰ লগত কেইবাৰ যোগা-যোগ কৰিছে।

★ ডা: কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰ মই দিম। আমি যোৱা ৬ মাহত যিমানবাৰ যোগা-যোগ কৰিছো আৰু যিমানখিনি কাম কৰিছো আগৰ চৰকাৰে ৫ বছৰত সিমানখিনি কৰা হলে বহুত কাম হলহেঁতেন। মাননীয় সদস্য গৰাকীয়ে ১৩ খন মহকুমাৰ নাম জানিব বিচাৰিছে। মই কৈ দিছো। সেই মহকুমা কেইখন হৈছে উত্তৰ শালমাৰা, বজালী, কলিয়াবৰ, ধনশিৰী, বিজনী, বোকাখাত, বোকাজান, লক্ষীপুৰ, জোনাই, ঢকুৱাখানা, মাঘেৰিটা, হামৰেণ, প্ৰাগজ্যোতিষপুৰ।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে গহপুৰত ১৯৮৭ চনত টি, এচ, পি শিতানত এখন ৩০ খন বিচনাযুক্ত হস্পিতাল আৰু এখন পি, এইচ, চি নিৰ্ম্মাণ কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল। এই দুখন হস্পিতাল বৰ্তমান কি অৱস্থাত আছে। আমি জনামতে তাত প্ৰয়োজনীয় ঔষধ পাতি যোগান ধৰা হোৱা নাই আৰু ডাক্তৰ আদিও নিযুক্তি দিয়া হোৱা নাই। লগতে মই আন এটা কথা কব বিচাৰিছো যে বিভিন্ন হস্পিতাল বিলাকৰ গ্ৰেড–IV এমপ্লয় বিলাক গুৱাহাটীলৈ পঠিয়াইছে। আগৰ যিজন স্বাস্থ্য মন্ত্ৰী আছিল তেখেতে নলবাৰীৰ পৰা ১৪ জন গ্ৰেড-IV এমপ্লয় ধেমাজীলৈ পঠিয়াই দিছিল। আচলতে এইটো কৰিব নেলাগে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আন এটা কথা জানিব বিচাৰিছো যে ৩০ খন বিচনাযুক্ত হস্পিতালেই

★ Speech not corrected

হওঁক বা পি, এইচ, চি বা অন্যান্য হস্পিতালেই হওঁক যিবিলাক হস্পিতালত পানী যোগান আৰু বিদ্যুৎ যোগান সম্পূৰ্ণ হোৱা নাই সেই বিলাকত পানী আৰু বিদ্যুৎ যোগান ধৰাৰ কাৰণে কি ব্যৱস্থা হাতত লোৱা হৈছে।

★ ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে মহকুমাৰ চিভিল হস্পিতালৰ সম্পৰ্কত। ৰাজ্যখনৰ পি, এইচ, চি আৰু চি, এইচ, চি সম্পৰ্কত ইয়াৰ পিচত বেলেগ প্ৰশ্ন আছে। গতিকে মই পিচত উত্তৰ দিম।

★ Shri Abu Saleh Najmuddin : Will the Minister, P. W. D. be pleased to inform the House that the hospitals which have been accorded administrative approval and tender has already been called by the Department of P. W. D. for Civil Hospital, 30 beded hospitals, PHC, Ramkrishna Nagar Hospital but the constructions have not yet started for any of the hospitals, so what steps have been taken to start the construction of these hospitals.

ডাঃ কমলা কলিতা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই প্ৰশ্নটোত ১০০ খন বিচনাযুক্ত হস্পিতালৰ কথা আলোচনা কৰা হৈছে। এতিয়া মাননীয় সদস্য জনে ২০০ খন বিচনাযুক্ত হস্পিতালৰ কথা কৈছে। সেই কথাটো আলোচনালৈ অহা নাই।

★ শ্ৰীশ্বেখ আব্দুল হামীদ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা এ, জি, পি চৰকাৰৰ দিনতে বৰপেটা জিলাত ৩০০ খন বিচনাযুক্ত হস্পিতালৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই হস্পিতালৰ অৱস্থা কি জনাব নেকি ?

★ ডাঃ কমলা কলিতা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো

★ Speech not corrected

যে প্ৰশ্নটো হৈছে ১০০ খন বিচনাযুক্ত হস্পিতালৰ ক্ষেত্ৰত। তথাপিও মাননীয় সদস্যৰ প্ৰশ্নৰ উত্তৰত কওঁ আমি আগতেও কৈছো যে যি কেইখন মহকুমাত ১০০ খন বিচনাযুক্ত হস্পিতাল হোৱা নাই সেই বিলাকত ৯ম ৫ম বাৰ্ষিক পৰিকল্পনাত লোৱা হব। ইতিমধ্যে আমি চেকেণ্ডাৰী হস্পিতাল ডেভেলাপমেণ্ট প্ৰজেক্ট এটা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছো। এই প্ৰজেক্টৰ কাৰণে প্ৰায় ৮০ কোটি টকা প্ৰস্তাৱ কৰা হৈছে। এইটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। এইটো হলে আমি মাননীয় সদস্যসকলৰ উদ্বেগখিনি পুৰণ কৰিবলৈ সক্ষম হম।

Mr. Speaker : Now Question No 44. Questioner Shir Gahin Ch. Das. Hon'ble Minister, Social welfare is to reply.

***বিষয়—বৃদ্ধ পেঞ্চন।***

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

★ ৪৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১-৯২ ১৯৯৩-৯৪, ১৯৯৪-৯৫, ১৯৯৫-৯৬ বৰ্ষৰ ভিতৰত কিমানজনক বৃদ্ধ পেঞ্চন দিয়া হ'ল ?

খ) উক্ত বৰ্ষবোৰত বিধবা পেঞ্চন কিমানক দিয়া হ'ল জনাবনে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯১-৯২ চনত ৩৬,৪২২ জনক,

১৯৯৩-৯৪ চনত ৩৯,৪২২ জনক,

১৯৯৪-৯৫ চনত ৩৯.৯২২ জনক,

১৯৯৫-৯৬ চনত ৩,৩৩০ জনক।

খ) বিধৱা পেঞ্চন দিয়া হোৱা নাই।

★ শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াই ইতিমধ্যে জনাইছে যে কিমান চনত কিমান জনক বৃদ্ধ পেঞ্চন দিয়া হ'ল। কিন্তু কথা হ'ল আমি দেখিছো যোৱা ৫ বছৰে মোৰ সমষ্টিত যিবিলাকে বৃদ্ধ পেঞ্চন পাইছে সেইটো বহুতো কম। বহুতে দৰ্খাস্ত কৰিছে আৰু মোক শুধিছে যে-আমাৰ বৃদ্ধ পেঞ্চনৰ কি হ'ব। মোৰ সমষ্টিত তেনেকুৱা বহুতে পোৱা নাছিল। গতিকে মই মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিছো যোৱাবাৰ যিবিলাকে বৃদ্ধ পেঞ্চনৰ ফৰ্ম দাখিল কৰিছে সেই বিলাকক যাতে দিয়ে তেওঁলোকে আপত্তি কৰিছে। পঞ্চায়তৰ যোগেদি যিবিলাকে কৰিছিল তাঁৰে ২০ জনক দিছিল। গতিকে যিবিলাকে পোৱা নাই তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

★ শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে যদি পোৱা নাই তেখেতসকলক দিয়াৰ ব্যৱস্থা কৰা হব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, বৃদ্ধ পেঞ্চন দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ নৰ্মচ কি আছে জনাৰ লাগে। নৰ্মচটো জানিলে আমাৰ ভাল হয়; কাৰণ গৰীব মানুহক এচ. ডি, চি অফিচৰ পৰা কম আয়ৰ চাৰ্টিফিকেত ১০০০ টকালৈ আনিব পাৰি। কিন্তু সমাজ কল্যান বিভাগত আয় দেখুৱাব লাগে ৫০০০ টকা। ডি, চিক অনুৰোধ কৰি ৫০০০ টকাৰ কৰিছিল। গতিকে মাননীয়া মন্ত্ৰী মহোদয়াই ৫০০০ টকাৰ চাৰ্টিফিকেটৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

★ শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আয়ৰ উৎস থকা পুৰুষৰ ক্ষেত্ৰত ৬৫ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ৫৫ বছৰ ব্যৱস্থা কৰা হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এচ, ডি, চি, য়ে ৭০৬০

★ Speech not corrected

টকাৰ তলত বছৰি আয়ৰ চাৰ্টিফিকেট নিদিয়ে। আনহাতে সমাজ কল্যাণ বিভাগে ৫০০০ টকা বছৰি আয় বিচাৰে। এই ক্ষেত্ৰত মাননীয়া মন্ত্ৰী মহোদয়াই ব্যৱস্থা লব নেকি ?

★ শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ পৰামৰ্শ বিবেচনা কৰা হব।

★ শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়া ওল্ড এজ পেঞ্চনৰ কথা কোৱা নাই। ১৯৯৫ চনৰ পৰা পোৱা নাই। কেতিয়া পাব। বিধবা পেঞ্চন কেতিয়া দিয়া হব। ওল্ড এজ পেঞ্চন ফেব্ৰুৱাৰী '৯৫ ৰ পৰা পোৱা নাই।

★ শ্ৰীৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন যিহেতু স্পেচিফিক আছিল মইও স্পেচিফিক উত্তৰ দিছো। বৃদ্ধ পেঞ্চনৰ কথা কৈছে তাৰ উত্তৰ দিছো। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো হয়. আমি বিধবা পেঞ্চন দিব পৰা নাই। ২০০০০ টাৰ্গেট আছে। ইয়াৰে ১৪০০০ ক দিবলৈ বিভাগক দিয়া হৈছে।

★ শ্ৰীহেমন্ত কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা বিধৱা পেঞ্চন সম্পৰ্কত জানিব পাৰিলো। নিৰ্ব্বাচনত এতিয়া বিৰোধী পক্ষত থকা সদস্য সকলে প্ৰচাৰ চলাইছিল যে বিধৱা পেঞ্চন দিয়া হব। কিন্তু যোৱা ৫ বছৰে কিয় বিধবাই পেঞ্চন পোৱা নাছিল। গতিকে এতিয়া এই কথা জনসাধাৰণক জনাই দিয়ক যে তেওঁলোকে ভুৱা কৈহে জনসাধাৰণৰ মাজত প্ৰচাৰ চলাইছিল। জনসাধাৰণে জানক যে আচলতে তেওঁলোকে কোনো আচঁনি হাতত লোৱা নাছিল।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই উত্তৰ দিয়ক তেখেতে বৃদ্ধ পেঞ্চন দিব পাৰিব নেকি ?

Mr. Speaker : Please sit down.

---

★ Speech not corrected

★ শ্ৰীহিৰেণ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয়া মন্ত্ৰী মহোদয়াই নীতিৰ কথা কৈছে। কিন্তু আচল কথাটো হৈছে যে কিছুমানে আপত্তি কৰিছে যে দখাস্ত দিবলৈ গলে কাৰ্য্যালয়ত বোলে কয় যে সেই অঞ্চলৰ কোনোবা মানুহ মৰিব লাগিব তেতিয়াহলেহে পেঞ্চন পাব। গতিকে এই বিলাক কথা চাব লাগে।

( মন্ত্ৰীৰ উত্তৰ দিয়া নাই )

Mr. Speaker : Now Question No. 45. Questioner Dr. Dev. Kanta Ramchiary. Hon'ble Minister, Health is to reply.

*বিষয়—চিকিৎসালয়ৰ সামগ্ৰী তথা ষ্টাফৰ নাটনি*

ডাঃ দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

★ ৪৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰ অৱগতনে যে অসমৰ বহুতো ভিতৰুৱা গাওঁ অঞ্চল আৰু চহৰ বিলাকত চৰকাৰী চিকিৎসালয় আৰু বিচনাযুক্ত চিকিৎসালয় বিলাকত সম্পূৰ্ণ ষ্টাফ নাই আৰু বিচনাযুক্ত চিকিৎসালয় বিলাকত আঠুৱা নাই মেটে্ৰচ নাই ?

খ) যদি অৱগত এই চিকিৎসালয় বোৰত নিৰ্দ্ধাৰিত ষ্টাফ, নাৰ্চ, ডাক্তৰ নিয়োগ কৰাৰ লগতে ৰোগীৰ বিচনাত আঠুৱা, মেটে্ৰচ আদি প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰাৰ ব্যৱস্থা সোনকালে লৱনে ?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে ঃ

ক) হয়, চৰকাৰ অৱগত।

খ) ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে।

★ ডাঃ দেৱকান্ত ৰামচিয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে

★ Speech not corrected

মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে ব্যৱস্থা লৈ থকা হৈছে। এইবোৰ ব্যৱস্থা লৈ থকাতকৈ স্বাস্থ্য বিভাগে এইবোৰ কাৰ্য্যকৰি কৰিব লাগে। ওদালগুৰিত ৩০ খন বিচনাযুক্ত হস্পিটাল সেই হস্পিটালখনত এতিয়ালৈকে ট'চক আঠুৱা নাই আৰু অন্যান্য মেডিকেল ইকুইপমেণ্ট নাই। তাত কেতিয়াবা কিছুমান অনুস্থানে কিছু বস্তু দান দিয়ে আৰু কেতিয়াবা ওচৰৰ চাহ-বাগিচা বিলাকে কিছু বস্তু দিয়ে। মই পেপাৰত পাইছো হোজাইৰ এখন হস্পিটালত এজন বিধায়কে ট'চক আঠুৱা দিছে। মই আমাৰ হস্পিটালত 'কম্পাউণ্ড মাইক্ৰস্কোপ' এটা আৰু কিছু সামগ্ৰী দিছো। এই বিলাক যে স্বাস্থ্য বিভাগে পাইছে তাৰ বাবে সেই দাতা সকলক আৰু মোৰ ধন্যবাদ দিব নেকি ?

★ ডাঃ কমলা কলিতা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটোৰ লগত মই একমত। আমাৰ বহুটো হস্পিটালত মেট্ৰেচ, আঠুৱা, বেডচিট আদি নাই। সেইবোৰ আমি যোগান ধৰাৰ ব্যৱস্থা কৰিছো। বৰ্ত্তমানলৈকে প্ৰায় ৫০ শতাংশ এই সামগ্ৰীবোৰ যোগান ধৰা হৈছে। খাদী বোৰ্ডক এইবোৰ যোগান ধৰিবৰ বাবে দিয়া হৈছে। যিবিলাক হস্পিটালে এই সামগ্ৰী বিলাক পোৱা নাই সেই হস্পিটাল বিলাকক যোগান ধৰাৰ ব্যৱস্থা কৰা হব।

★ শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, কলাইগাৱত যিখন হস্পিটাল খুলিলে সেই হস্পিটাল খনত ডাক্তৰ নাই নাৰ্চ নাই, আনকি চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰিও নাই। তাত থকা ডাক্তৰ জনক আপগ্ৰেড কৰি কোনোৱা হস্পিটাললৈ পঠালে সেই অঞ্চলটো মেলেৰীয়া হোৱা অঞ্চল বৰ্ত্তমান চৰকাৰে এটা পলিচি গ্ৰহণ কৰিব নেকি যে মেলেৰীয়া হৈ থকা অঞ্চল বিলাকত মেলেৰীয়া অঞ্চল হিচাবে ঘোষণা কৰিব আৰু সেই অঞ্চল বিলাকত বিশেষ ভাবে স্বাস্থ্য বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব।

---

★ Speech not corrected

★ ডাঃ কমলা কলিতা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে বিষয়টো অতি গুৰুত্বসহকাৰে লোৱা হৈছে। আমি হস্পিটাল বিলাকত প্ৰয়োজনীয় সামগ্ৰী বিলাক যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় সদস্য সকলে জানে যে যোৱা নিৰ্ব্বাচনৰ আগতে বহুটো হস্পিটাল খুলি ডাক্তৰ নিযুক্তি দি চহৰ অঞ্চলত এটাচ কৰি ৰাখিছিল তেনেকৈ ৭ শ মানুহে চহৰ অঞ্চলত কাম কৰি আছে। বৰ্ত্তমানে নিযুক্তি বন্ধ থকাৰ কাৰণে আমি ডাক্তৰ নাৰ্চ দিব পৰা নাই। যোৱা নবেম্বৰ মাহত নিযুক্তি খুলি দিয়াত ৭২ জন ডাক্তৰক আণ্ডাৰ ৰেগুলেশ্যন 3 (এফ) ত নিযুক্তি দিয়া হৈছে। এই সকলক আমি এটাচমেণ্ট ওঠাই দি গ্ৰাম্য অঞ্চলত কাম কৰিবলৈ দিয়া হৈছে আৰু লগতে ৬৫ জন পেৰা মেডিকেল ষ্টাফক তেওঁলোকক নিজৰ নিজৰ অঞ্চলত কাম কৰিবলৈ কোৱা হৈছে। মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে যোৱা চৰকাৰৰ দিনত কলাইগাৱত হস্পিটাল খুলিলে যদিও তাত কোনো ডাক্তৰ, ষ্টাফ চেংশ্যান কৰা নহল। মোৰ নিজৰ সমষ্টিতে গৰৈমাৰিত ৩০ খন বিচনাযুক্ত হস্পিটাল খুলিলে যদিও তাত কোনো পোষ্ট চেংশ্যন দিয়া নহল। যদিও আগৰ চৰকাৰে এনেবোৰ অনিয়ম কৰি গৈছে তথাপি আমি ৰাইজৰ সুবিধাৰ বাবে চিকিৎসালয় বিলাকত সকলোবিলাক সুবিধা দিয়াৰ বাবে প্ৰচেষ্টা চলাই আছো।

★ শ্ৰীমতী ৰূপম কুৰ্ম্মী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে জনাব নেকি যে মৰিয়নী সমষ্টিটো নাগালেণ্ড বৰ্ডাৰৰ লগত সংলগ্ন। এই বৰ্ডাৰ অঞ্চলত যি বিলাক হস্পিটাল আছে তাত বহুত মেডিকেল ইকুইপমেণ্টৰ প্ৰয়োজন। সেই বিলাকত এতিয়ালৈকে ষ্টাফ নাই। তাত ৩০ খন বিচনাযুক্ত হস্পিটাল বিলাকত ডাক্তৰ, নাৰ্চ আৰু ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ ডঃ কমলা কলিতা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ গৰাকীয়ে যি হস্পিটালৰ কথা কৈছে

★ Speech not corrected

সেই হস্পিটাল নিশ্চয় নিৰ্বাচনৰ আগে আগে খোলা। যি কি নহওক মই আগতে কৈছো এই সকলোবিলাক হস্পিটালৰ কাৰণে ব্যৱস্থা লৈ থকা হৈছে। যিমানখিনি সুবিধা দিব পৰা যায় সেইখিনি সুবিধা চৰকাৰৰ ফালৰ পৰা দিবলৈ ব্যৱস্থা লৈ থকা হৈছে।

★ শ্ৰীহিৰেণ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আমাৰ দৰং জিলাত এতিয়াও মেলেৰীয়াত মানুহ মৰি আছে। দৰং জিলাখনক মেলেৰীয়া অঞ্চল বুলি ঘোষণা কৰক। বৰ্ত্তমান যি ধৰণে মেলেৰীয়াত মানুহ মৰি আছে আৰু বহুলোক মেলেৰীয়াত আক্ৰান্ত হৈছে সেয়ে হলে বিধায়কো যে মেলেৰীয়াত আক্ৰান্ত নহব সেইটো কব নোৱাৰি। সেয়ে মেলেৰীয়া আক্ৰান্ত অঞ্চল হিচাপে ঘোষণা কৰক।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে একেলগে দিয়ক। ধেমাজি জিলাখন মেলেৰীয়াত আক্ৰান্ত অঞ্চল সেয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ধেমাজিত এটা বেলেগে মেলেৰীয়া কাৰ্য্যালয় খোলাৰ ব্যৱস্থা কৰক।

★ ডাঃ কমলা কলিতা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়াৰ বিষয়ে পিচত প্ৰশ্ন আছে তেতিয়া মই তাত উত্তৰ দিম।

★ Shri Aminul Islam : Sir, in my Dhubri district people are not getting proper medical treatment due to shortage of 46 Nos. of doctors. Will the Minister, Health be pleased to assure that these 46 doctors will be posted immediately ?

★ ডাঃ কমলা কলিতা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে বহুত জিলাত গাওঁ অঞ্চলত চিকিৎসকৰ পদ খালি আছিল। সেই বিলাক আমি ইতিমধ্যে পূৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰি আছো। ধুবুৰী,

★ Speech not corrected

কোকৰাঝাৰ জিলাত যিটো কথা কোৱা হৈছে এই ক্ষেত্ৰত আমি ব্যৱস্থা কৰি আছো আৰু আগাৰ ৩/ এফত ৭২ জন চিকিৎসকক কম দিনৰ ভিতৰত খালি পদ পূৰণ কৰাৰ চেষ্টা কৰিম।

Mr. Speaker : Now starred Question No 46. Questioner Shri Padma Hazarika, Hon'ble Minister Health is to reply.

*বিষয়—চতিয়াৰ ৩০ খন বিচনাযুক্ত হস্পিটাল*

শ্ৰীপদ্ম হাজৰীকাই সুধিছে :

★ ৪৬ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চতিয়াত এখন ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ বাবে চৰকাৰৰ ওচৰত দিয়া প্ৰস্তাৱৰ বিষয়ে স্বাস্থ্য বিভাগ অবগত নে ?

খ) ৰাইজৰ দাবী অনুযায়ী চতিয়াত ৩০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ বাবে ব্যৱস্থা লৈছে নেকি ? চিকিৎসালয়খনৰ বাবে প্ৰয়োজনীয় টকা ধাৰ্য্য কৰা হ'লনে ?

গ) যদি লৈছে, কেতিয়াৰ পৰা চিকিৎসালয়ৰ কাম আৰম্ভ কৰিব ?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অবগত।

খ) ব্যৱস্থা লৈ থকা হৈছে। প্ৰয়োজনীয় টকা এতিয়ালৈ ধাৰ্য্য কৰা হোৱা নাই।

গ) পুঁজি অৱণ্টনৰ পিছত ব্যৱস্থা লোৱা হব।

★ শ্ৰীপদ্ম হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, চতিয়াৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক সোনকালে ব্যৱস্থা লবলৈ অনুৰোধ কৰিছো আৰু দৃষ্টিগোচৰ কৰিব খুজিছো যে মোৰ সমষ্টিত যোৱা চৰকাৰৰ দিনতে ৩০ খন বিচনাযুক্ত চিকিৎসালয় বনোৱা হৈছিল যদিও তাৰ কাম বৰ্তমানো অসম্পূৰ্ণ অৱস্থাত আছে। এই বিষয়ে মই

★ Speech not corrected

মন্ত্রী মহোদয়ক আগতেওঁ অৱগত কৰিছো। তাত ৪ জন ডাক্তৰ আছিল যদিও বৰ্তমান এজন ডাক্তৰেহে কাম কৰি আছে। তাত সোনকালে ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব নেকি ? ১৯৮৯-৯০ চনতে জামুগুৰিত ৩০ খন বিচনাযুক্ত হস্পিটাল কৰিবৰ কাৰণে তেতিয়াই প্লেনৰ টকা ধাৰ্য্য কৰা আছে আৰু পৰ্য্যায়ক্ৰমে কাম হাতত লোৱা হৈছিল। কোৱাৰ্টাৰ নিৰ্মাণৰ কাৰণে নিবিদাও আহ্বান কৰা হৈছিল, কিন্তু যোৱা চৰকাৰৰ দিনত একো সুবিধা কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত এই চৰকাৰে ব্যৱস্থা লব নেকি ? ইয়াৰ বাবে জামুগুৰি অঞ্চলত ২৫ বিঘা মাটিও ৰখা হৈছিল। এতিয়া চৰকাৰে ব্যৱস্থা লব নেকি ?

★ ডাঃ কমলা কলিতা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, চতিয়াত এখন পি, এইচ, চি আছে। তাক ৩০ খন বিচনাযুক্ত কৰাৰ কাৰণে ফিজিবিলিটি ৰিপোৰ্ট বিচৰা হৈছে। জিলা উপাযুক্তই মাটি আৱণ্টন দিয়াৰ কাৰণে আৰু গড়কাপ্তানি বিভাগে প্লেন এষ্টিমেট দিয়াৰ কাৰণে স্বাস্থ্য বিভাগৰ পৰা নিৰ্দেশ দিয়া হৈছে। এই প্লেন এষ্টিমেট আৰু উপাযুক্ত পৰা মাটি আৱণ্টন পোৱাৰ লগে লগে চতিয়াৰ বিষয়টোত ব্যৱস্থা লোৱা হব। আনহাতে মাননীয় সদস্য গৰাকীয়ে যিকেইটা কথা কৈছে, সেই গোটেইবিলাক মোৰ অৱগত। তাৰোপৰি মই মাননীয় সদস্য গৰাকীৰ লগত সেই অঞ্চল সমূহ পৰিভ্ৰমণ কৰিছো আৰু পৰ্যায়ক্ৰমে এইবিলাক সমাধা কৰাৰ কাৰণে আমি ব্যৱস্থা লৈছো।

★ Shri Aminul Islam : The then Health Minister declared that a 30-bedded hospital will be established in Baghapara. The area is inhabitated by tribal people. For this purpose necessary land has been provided. Will the Government assure in this House that this hospital

★ Speech not corrected

will be established within the shortest period of time.

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই অৱগত নহয়। এইটো আমি পৰীক্ষা কৰি চাম।

* শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ এনেকুৱা ৩০ খন বিচনাযুক্ত হস্পিটালৰ আঁচনি চৰকাৰৰ হাতত কিমান আছে ? মন্ত্ৰী মহোদয়ে জনাবনে ?

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি অনুমোদিত নীতি, এই নীতি অনুসৰি আমাৰ ৰাজ্যখনত এতিয়া চি, এইচ, চি, ৩০ খন বিচনাযুক্ত হস্পিটাল ১০০ খন আছে, ২১৪ খন থাকিব লাগে। ১১৪ খনেই কম আছে। এইটো পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হব। চাব চেণ্টাৰ ৫১৩৩ খন ৰ ২৪ খন কম আছে। পি, এইচ, চি ২৪৫ খন কম আছে। এইখিনি নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাত নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হব।

* শ্ৰীদিলেশ্বৰ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, তিনচুকীয়া জিলাত আজি বাৰ বছৰ ধৰি নিৰ্মাণ কাৰ্য্য শেষ হোৱা নাই। যিখিনি প্ৰয়োজনীয় পইচা স্বাস্থ্য বিভাগে দিছে নে নাই এই সম্পৰ্কে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই চাব নেকি ?

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো হৈছে শদিয়া প্ৰশ্ন, আমাৰ প্ৰশ্ন চতিয়া আছিল, তাৰ পৰা গৈ এতিয়া পালে শদিয়ৰ এইটো বিষয়ৰ মোৰ হাতত বৰ্ত্তমান তথ্য নাই।

Shri Misbahul Islam Lashar : Sir, it has been proposed to establish a 30-beded hospital at Borkhola in Cachar Dist. May I know from the Hon'ble Minister Health what is the present position of the work of the hospital ?

---

* Speech not corrected

★ Dr. Kamala Kanta Kalita. ( Minister ) : Sir, this will need a seperate Question.

Shri Sukhendu Shekhor Dutta : Sir, construction of one 30-bedded hospital at Patharkandi was started but the work has been suddenly suspended ? I want to know why it has been suspended. May I know form the Hon'ble Minister, Health when the work will be started again ?

Mr. Speaker : This should be a seperate Question.

★ শ্ৰীবৃন্দাবন গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তেজপুৰৰ চিভিল্ হস্পিটালত এক্সৰে মেচিন নাই, এই এক্সৰে মেচিনটো বেয়া হৈ আছে, ভাল্ কৰিবলৈ ছয় হেজাৰ টকাৰ বেছি নহয়। কিন্তু আজিলৈকে ভাল কৰা নাই। আমাৰ মাননীয় সদস্য শ্ৰীপদ্ম হাজৰীকাই যি প্ৰশ্ন দিছিল মোৰো সেই একেই কথা। এই তেজপুৰ হস্পিটাললৈ সকলো বেমাৰী আহে, এতিয়া ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হোৱাৰ পিচত আনকি নগাওঁৰ পৰাও বেমাৰী আহে। নতুনকৈ আৰম্ভ হোৱা কনকলতা ৩০ খন বিচনা যুক্ত হস্পিটালৰ কাম বন্ধ হৈ আছে। গতিকে এই কনকলতা চিকিৎসালয় আৰু এক্সৰে মেচিন সম্পৰ্কে চৰকাৰে বিবেচনা কৰিবনে ?

Mr. Speaker : Now starred Question No. 47. Questioner Shri Mohendra Mohan Raichoudhury. Hon'ble Minister, Transport is to reply.

### *বিষয়—ফেয়াৰ মিটাৰৰ ব্যৱহাৰ*

শ্ৰীমহেন্দ্ৰমোহন ৰায় চৌধুৰীয়ে সুধিছে :

★ ৪৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পৰিবহন বিভাগে ৰাজ্যখনত অট'ৰিক্সা সমূহত 'ফেয়াৰ মিটাৰ' ব্যৱহাৰ বাধ্যতামুলক কৰাতো সচাঁনেকি ?

---

* Speech not corrected

খ) গুৱাহাটীত অট'ৰিক্সা সমূহে ফেয়াৰ মিটাৰ ব্যৱহাৰ কৰেনে ?

শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) কিছুমানে কৰে । সকলো অট'ৰিক্সাই ফেয়াৰ মিটাৰ অনুপাতে গ্ৰাহকৰ পৰা ভাড়া লোৱা নিশ্চিত কৰিবৰ বাবে বিহিত ব্যৱস্থা লবলৈ কামৰূপ জিলাৰ উপায়ুক্ত আৰু আঞ্চলিক পৰিবহন কৰ্ত্তৃপক্ষৰ সভাপতিলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

★ শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : গুৱাহাটীৰ অট'ৰিক্সা বিলাকে ফেয়াৰ মিটাৰ ব্যৱহাৰ নকৰে আৰু কোনোবা যাত্ৰী লৈ কোনো অট'ৰিক্সা গলেও গন্তব্য স্থান পোৱাৰ পিচত অতিৰিক্ত ভাড়া দাবী কৰে আৰু এই লৈ যাত্ৰী আৰু চালকৰ মাজত খেলিমেলি হয় । বহু ঠাইত উপায়ুক্তৰ কাৰ্য্যালয়ত অভিযোগ দিয়া হৈছে যদিও ফেয়াৰ মিটাৰ ব্যৱহাৰ বাধ্যতামূলক এতিয়াও হোৱা নাই । অন্য ষ্টেটত যি বিলাক অট' আছে তাত কিন্তু ফেয়াৰ মিটাৰ সমূহ উপযুক্ত ভাবে ব্যৱহাৰ কৰে । আমাৰ ইয়াতো ফেয়াৰ মিটাৰ সঠিক ভাবে ব্যৱহাৰ কৰাৰ কাৰণে বিহিত ব্যৱস্থা মন্ত্ৰী মহোদয়ে গ্ৰহন কৰিব নে ?

★ শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন মন্ত্ৰী ) অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা লোৱা হৈছে ।

★ শ্ৰীকালিৰঞ্জন দেৱ : অধ্যক্ষ মহোদয়, আমাৰ অভিজ্ঞতা আছে ফেয়াৰ মিটাৰ তেওঁলোকে ব্যৱহাৰ নকৰে দিশপুৰলৈ গলে চল্লিশ টকা লাগিব মিটাৰত নাযায় এনেকুৱা বিলাক আমাৰ অভিজ্ঞতা আছে । সেই কাৰণে মিটাৰ বাধ্যতামূলক কৰিবলৈ পুলিচ বা এনফোৰ্চমেণ্টৰ লোক ডেপুট কৰিব লাগে

★ Speech not corrected

যাত্ৰীৰ হাৰাশাস্তি বন্ধ কৰিবলৈ ফেয়াৰ মিটাৰ ব্যৱহাৰ কৰাতো নিশ্চিত কৰাৰ ব্যৱস্থা লবনে ?

★ শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা সকলোধৰণৰ ব্যৱস্থা আমি লৈছো কিন্তু লগতে পবিত্ৰ সদনত জনাব বিচাৰিছো যে এই কামৰ কাৰণে জনসাধাৰণৰ সহযোগিতা প্ৰয়োজন কিয়নো যাত্ৰী আৰু চালকৰ মাজত পইচা দিয়া আৰু লোৱা হয়। যাত্ৰী সকলৰ পৰা অভিযোগ দিলে তেনে ক্ষেত্ৰত ব্যৱস্থা লবলৈ সুবিধা হয়।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে অট'ৰিক্সাত ফেয়াৰ মিটাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে কিন্তু আচলতে পৰিবহন বিভাগৰ বিষয়া সকলে মন্ত্ৰীক ভুল তথ্য দি উত্তৰ দিছে। আমাৰ দিশপুৰ লাষ্ট গেট, গনেশ মন্দিৰ বা বাছ ষ্টপেজৰ ওচৰত যি বিলাক অট' আছে তাত কোনোখনতেই ফেয়াৰ মিটাৰ নাই। যদি হঠাতে চেক কৰিবলৈ যোৱা যায় দেখা যাব কোনো অট'-তেই ফেয়াৰ মিটাৰ নাই। লাষ্ট গেটৰ পৰা হাতীগাওঁলৈ অটাৰিক্সা নিলেও এক কিলোমিটাৰতে ১৫ টকা লাগে। কাহিলীপাৰালৈ বিশ টকা লাগে। গণেশগুৰি, গণেশ মন্দিৰ কোনো ঠাইৰ অট'তে ফেয়াৰ মিটাৰ নাই। এতিয়া কথা হ'ল, প্ৰথম কথা ফেয়াৰ মিটাৰ ব্যৱহাৰ নকৰা অট'ৰ বিৰুদ্ধে পৰিবহন বিভাগৰ পৰা ব্যৱস্থা লবনে ? দ্বিতীয়তে যি বিলাক অফিচাৰে ফেয়াৰ মিটাৰ ব্যৱহাৰ নকৰাকৈয়ে সদনত ব্যৱহাৰ কৰি থকা বুলি ভুল তথ্য দি উত্তৰ প্ৰদান কৰিছে সেই সকলৰ বিৰুদ্ধে ব্যৱস্থা লবনে ?

★ শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) ঃ– বিষয়াই ভুল তথ্য পৰিবেশন কৰি সদনত ভুল পথে পৰিচালিত কৰাতো সত্য নহয়। মই মন্ত্ৰী হলে কি হব আমিও দেখিছো। মাননীয় সদস্য গৰাকীয়ে কোৱা কথা আমাৰ সন্মুখতে আছে।

---

* Speech not corrected

এইটো বহু দিনৰ পৰা চলি অহা ঘটনা। আমি বিভাগীয় ব্যৱস্থা লৈছো কিন্তু কিছুদিন সময় লব।

★ শ্ৰীগৌতম ৰয় : অধ্যক্ষ মহোদয়, পৰিবহন মন্ত্ৰী বৰষ্টং মন্ত্ৰী। হাইলাকান্দিত এজন ডি–টি–অ' পোষ্টিং কৰিছে কিন্তু তাতগৈ জইন কৰিবলৈ যোৱাত ডি-চিলৈ মেচেজ পঠাইছে ওৱেট এণ্ড কাম টু দিশপুৰ। এইটো কি ধৰণৰ কথা।

★ শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন মন্ত্ৰী ) এইটো ৰিলেটেড নহয়। বেলেগ প্ৰশ্ন লাগিব।

★ শ্ৰীহিৰেন কুমাৰ দাস : অটোৰিক্সা বিলাকৰ ক্ষেত্ৰত কথা হৈছে তেলৰ দাম বাঢ়িছে, ৰাস্তাঘাট বেয়া। গতিকে মিটাৰ মতে যিটো পইচা বান্ধি দিয়া আছে সেইমতে তেওঁলোকৰ লোকচান হয়। গতিকে এই ক্ষেত্ৰত ৰেট-টোৰ কথা চিন্তা কৰিব লাগে। অভিযোগ কক্ষ পৰিবহন বিভাগৰ লোকৰ দ্বাৰা কৰিব লাগে। পুলিচৰ লোকৰ দ্বাৰা নহয়। গতিকে ৰেট বঢ়াব নেকি আৰু তেনে অভিযোগ কক্ষ খুলিবনে আৰু পৰিবহনৰ বাছত হিমলাৰ নিচিনা বৃদ্ধৰ কাৰণেও আসন সংৰক্ষন ব্যৱস্থা কৰিবনে ?

★ শ্ৰীপ্ৰদীপ হাজৰীকা, ( পৰিবহন মন্ত্ৰী ) মাননীয় সদস্য গৰাকীৰ প্ৰশ্ন দুটা বিবেচনাৰ কাৰণে পৰীক্ষা কৰি চাব লাগিব আৰু বাছৰ কথাটো বেলেগ প্ৰশ্ন হ'ব।

Mr. Speaker : Now starred question No. 48. Questioner Shri Kumud Ch. Das. Hon'ble Minister, Health is is to reply.

## *বিষয়—চিকিৎসক তথা কৰ্ম্মচাৰী নিয়োগৰ ব্যৱস্থা।*

শ্ৰীকুমুদ চন্দ্ৰ দাসে সুধিছে :

★ ৪৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

---

* Speech not corrected

ক) পানেৰী সমষ্টিৰ অন্তৰ্গত পানিশেলি ৰাজ্যিক চিকিৎসালয়ত বৰ্ত্তমানে এজন ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী বাদে কোনো বিষয়া কৰ্ম্মচাৰী নাই, চৰকাৰ অৱগতনে ?

খ) চৰকাৰে ইয়াত চিকিৎসক তথা কৰ্ম্মচাৰী নিয়োগৰ ব্যৱস্থা কৰিবনে ?

★ ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :—

ক) হয়, অৱগত।

খ) হয়, চিকিৎসক নিয়োগৰ ব্যৱস্থা কৰা হৈছে ।

★ শ্ৰীকুমুদ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰত ব্যৱস্থা কৰা হৈছে বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা কি ব্যৱস্থা লব সেইটো জানিব বিচাৰিছো ।

★ ডা: কমলা কলিতা, ( স্বাস্থ্য মন্ত্ৰী ) : ব্যৱস্থা লৈ আছে ।

( Starred Question Nos. 49 to 60 could not be taken up for disposal on the Question hour was over. However, the replies of the said Question were deemed to have been laid on the Table of the House )

Re : Transfer Of Officers

Shri Sarat Barkataky asked :

★ 49. Will the Minister of Public Health Engineering be pleased to state :

a) How many officers from the rank of Superintending Engineer to the rank of Sectional Officer have been

---

★ Speech not corrected

transferred during last six months ?

b) How many of the transferred officers were released ?

Shri Utpal Dutta : ( Minister of State, Public Health Engineering ( Ind. ) replied :

| | | | | |
|---|---|---|---|---|
| a) 141 | i) | Superintending Engineer | = | 4 |
| | ii) | Executive Engineer | = | 32 |
| | iii) | Asstt. Executive Engineer, | = | 32 |
| | iv) | Asst. Engineer | = | 25 |
| | v) | Sectional Officer, | = | 48 |
| | | | | 141 |

| | | | | |
|---|---|---|---|---|
| b) 77 | i) | Superintending Engineer | = | 4 |
| | ii) | Executive Engineer, | = | 23 |
| | iii) | Asstt. Executive Engineer | = | 23 |
| | iv) | Asstt. Engineer, | = | 21 |
| | v) | Sectional Officer, | = | 6 |
| | | | | 77 |

## বিষয়—কৰ্ম্মচাৰী বদলি

মোস্তাফা শ্বহীদুল ইছলামে সুধিছে :

★ ৫০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) শ্ৰীৰামপুৰ চেকগেটত বৰ্ত্তমান কিমান জন কৰ্মচাৰী আছে জনাবনে ?

খ) কোন কোন কৰ্মচাৰী কিমান দিনলৈকে আছে ?

গ) দীৰ্ঘদিন থকা কৰ্মচাৰী বিলাক বদলি কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) শ্ৰীৰামপুৰ চেক গেটৰ পৰিবহন বিভাগৰ অধীনত বৰ্ত্তমান বিভিন্ন পদত মুঠ ৪১ জন কৰ্মচাৰী আছে ।

খ) ওপৰৰ 'ক' প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা ৪১ জন কৰ্মচাৰীৰ নাম ও চাকৰি কালৰ বিশদ বিৱৰণৰ তালিকা লগত গাঠি দিয়া হ'ল ।

( See the Annexure-I )

গ) একে ঠাইতে দীৰ্ঘদিন থকা কৰ্মচাৰী সকলক সময়ে সময়ে বদলি কৰি থকা হৈছে আৰু ভৱিষ্যতেও ৰাজহুৱা স্বাৰ্থত কৰা হব ।

***বিষয়—অৰ্দ্ধ সমাপ্ত দলং সম্পূৰ্ণকৰণ***

শ্ৰীপুলকেশ বৰুৱাই সুধিছে :

★ ৫১ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নলবাৰী জিলাত পাগলদিয়া নদীৰ ওপৰত উলাবৰী ঘাটত গড়কাপ্তানী বিভাগে নিৰ্মাণ কৰিবলৈ লোৱা দলংৰ কাম অৰ্দ্ধ সমাপ্ত অৱস্থাত বন্ধ হৈ থকাৰ বিষয়ে অৱগতনে ?

খ) যদি অৱগত, উক্ত নিৰ্মাণ কাৰ্য্য সমাপ্ত কৰাৰ বাবে কাম কেতিয়া আৰম্ভ কৰিব জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) দলং নিৰ্মাণৰ বাবে আৱশ্যকীয় চিমেণ্ট আৰু লোহাৰ যোগান তথা ঠিকাদাৰক দিবলগীয়া ধন আদায়ৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে ।

*বিষয়—ৰাষ্ট্ৰীয় ঘাই পথৰ অৱস্থা*

শ্ৰীদীলেশ্বৰ তাঁতীয়ে সুধিছে

★ ৫২। মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিনিচুকীয়া ডিব্ৰুগড় আৰু হাউলী পাটাছাৰকুছিৰ মাজত ৰাষ্ট্ৰীয় ঘাই পথৰ অৱস্থা যে অতি শোচনীয় এই বিষয়ে চৰকাৰৰ অৱগত নে ?

খ) যদি অৱগত, উক্ত ৰাষ্ট্ৰীয় পথ নিৰ্মাণ আৰু মেৰামতিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীঅতুল বৰা ( গড় কাপ্তানী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) হয় অৱগত।

খ) মূল কাম ( Original works ) নিৰ্মাণৰ আৰু বানবিধ্বস্ত অংশৰ স্থায়ী মেৰামতিৰ প্ৰাক্কলন কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হৈছে। ইতিমধ্যে তৎকালীন মেৰামতিৰ কাৰণে পূজি মঞ্জুৰ কৰা হৈছে।

*বিষয়—মেলেৰীয়া আক্ৰান্ত অঞ্চল।*

ডাঃ নজৰুল ইছলামে, সুধিছে :

★ ৫৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মেলেৰীয়া নিৰ্মূল কৰিবৰ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

খ) সঘনাই মেলেৰীয়া হোৱা ৰাজ্যখনৰ অঞ্চল সমূহ চিনাক্ত কৰা হৈছেনে ? ( জিলা ভিত্তিত উক্ত অঞ্চলৰ নামবোৰ দিব )

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) মেলেৰীয়া ৰোগ নিমূল কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ N. M. E. P আঁচনিখন নিষ্ঠাৰে কাৰ্য্যকৰী কৰি আহিছে।

খ) হয়, হৈছে। আক্ৰান্ত অঞ্চল সমূহৰ জিলা ভিত্তিত তালিকা এখন সংলগ্ন কৰা হ'ল।

( See the Annxure-II )

**বিষয়—পথৰ আৱণ্টিত ধন ।**

শ্ৰীপ্ৰদান বৰুৱাই সুধিছে ।

★ ৫৪ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) এই কথা চৰকাৰৰ অৱগত নে যে বিগত তিনি বছৰত কেন্দ্ৰীয় চৰকাৰৰ ভূতল পৰিবহণ মন্ত্ৰালয়ৰ পৰা অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নতুন নিৰ্মাণ আৰু মেৰামতিৰ বাবে দিয়া ধন সম্পূৰ্ণ পৰিমাণে মূল কামত খৰছ কৰা হোৱা নাই ।

খ) যে আৱণ্টিত ধন ৰাষ্ট্ৰীয় ঘাই পথত খৰছ নকৰাৰ হেতু এই পথ সমূহৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈছে আৰু কিছুমান পথ যান-বাহন চলাচলৰ একেবাৰে অনুপযোগী হৈ পৰিছে চৰকাৰ অৱগতনে ?

গ) যদি অৱগত হয়, তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) হয়, অৱগত । এই বিভাগে প্ৰাপ্ত আৱণ্টিত ধন মূল কামতেই ব্যয় কৰিছে ।

খ) ৰাষ্ট্ৰীয় ঘাই পথ সমূহৰ অৱস্থা ঠাই বিশেষে বেয়া হৈছে যদিও যান-বাহনৰ বাবে একেবাৰে অনুপযোগী হোৱা নাই ।

গ) তৎকালীন ভাৱে বেয়া অংশ সমূহ মেৰামতি কৰিবলৈ, পৰ্য্যায় ক্ৰমে পুঁজিৰ আৱণ্টন দি থকা হৈছে । ইতিমধ্যে আংশিক মেৰামতিৰ কাম হাতত লোৱা হৈছে আৰু ভূতল পৰিবহণ মন্ত্ৰালয়ৰ বিষয়ববীয়া সহ পৰিদৰ্শন কৰি ক্ষয় ক্ষতিৰ যুটীয়া নিৰ্ধাৰণৰ টোকা বিশদ প্ৰাক্কলনৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ কাৰণে পঠোৱা হৈছে ।

বিষয়—চিকিৎসালয় নিৰ্মাণ ।

শ্ৰীপ্ৰবীন হাজৰীকাই সুধিছে :

★ ৫৫ । মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিশ্বনাথ বিধান সভা সমষ্টিৰ অন্তৰ্গত (Balichang SHC) বালিচাং চিকিৎসালয়খনৰ ঘৰ-দুৱাৰ একেবাৰে ভাগি গৈছে, চৰকাৰ অৱগত নে ?

খ) উক্ত চিকিৎসালয়খন নিৰ্মাণ কৰাৰ কিবা চিন্তা কৰিছেনে ?

গ) যদি কৰা নাই তেন্তে নিৰ্মাণৰ কাম এই বিত্তীয় বছৰত কৰা হবনে ?

ঘ) বিশ্বনাথ চাৰিআলিৰ ১০০ খন বিছনাযুক্ত চিকিৎসালয়খন এতিয়া সকলো দিশ পূৰ্ণাঙ্গ হোৱা নাই, গতিকে বাকী থকা সামগ্ৰী সমূহ দিয়াৰ কিবা ব্যৱস্থা কৰিছেনে ? এই কাম এই বিত্তীয় বছৰত হব নে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে ।

গ) প্ৰশ্ন নুঠে ।

ঘ) বিশ্বনাথ চাৰিআলিৰ চিকিৎসালয়খন বৰ্ত্তমান ৫০ খন বিছনাৰ পৰা উন্নিত কৰি ১০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰিত কৰিবৰ বাবে চিন্তা কৰা হৈছে লগতে হস্পিতালৰ প্ৰয়োজনীয় অস্‌বাব আদি যোগনা ধৰাৰ দিহা কৰা হৈছে ।

## বিষয়—সামাজিক বনানিকৰণৰ পৰিমাণ।

শ্ৰীৰচিতুল হকে সুধিছে :

★ ৫৬। মাননীয় সামাজিক বনানিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যখনত সৰ্ব্বমুঠ কিমান হেক্টৰ মাটিত সামাজিক বনানিকৰণ কৰা হৈছে ?

খ) দেশৰ অন্যান্য ৰাজ্যৰ ভিতৰত সামাজিক বনানিকৰণৰ ক্ষেত্ৰত অসমৰ স্থান কি ?

শ্ৰীনগেন শৰ্ম্মা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৰাজ্যখনত সৰ্ব্বমুঠ ১, ১০, ২০ হেক্টৰ মাটিত সামাজিক বনানিকৰণ কৰা হৈছে।

খ) দেশৰ অন্যান্য ৰাজ্যৰ ভিতৰত সামাজিক বনানিকৰণৰ ক্ষেত্ৰত অসমৰ স্থান সম্পৰ্কে চৰকাৰ অৱগত নহয়।

## বিষয়—পৰিবহন নিগমৰ বাছ আস্থান।

শ্ৰীঅতুল বৰাই সুধিছে :

★ ৫৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলাঘাট ৰাজ্যিক পৰিবহন নিগমৰ বাছ আস্থানটোৰ উন্নয়ন আৰু নতুন ভৱন নিৰ্মাণৰ কিবা আচঁনি হাতত লৈছে নেকি ?

শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) আচঁনি লোৱা হৈছে কিন্তু বিত্তীয় সংকটৰ কাৰণে কাম কৰিব পৰা হোৱা নাছিল। পূজি সাপেক্ষে বৰ্ত্তমান বছৰত কাম আৰম্ভ কৰিব পৰা যাব।

Re—Posts Of Silchar Medical College Hospital.

Shri Kaliramjan Deb asked :

★ 58 Will the Minister of Health and Family Welfare be pleased to state :

a) How many posts of Professors, Associate Professor. Asstt. Professor, Registrars have been sanctioned for Silchar Medical College Hospital by the Government ?

b) Against those sanctioned posts how many of them are now working in that Hospital against each category of posts ?

c) Is it a fact that, some Doctors, though posted at S. M. C. H. do not like to serve there and instead, use to remain at Guwahati or Dibrugarh Medical College and draw their salary against sanctioned posts of Silchar Medical College Hospital ?

d) If so, what steps Government propose to take to secure their attendance at the place of their posting ?

Dr. Kamala Kalita ( Minister. Health ) replied :

a) Government has sanctioned following number of posts for Silchar Medical College Hospital. Silchar.

| | | |
|---|---|---|
| Professor | — | 24 |
| Associate Professor | — | 24 |
| Asstt. Professor | — | 41 |
| Registrar / Demonstrator | — | 101 |

b) Following number of doctors are now working in Silchar Medical College, Hospital against the sanctioned posts.

| | | |
|---|---|---|
| Professor | — | 21 |
| Associate Professor | — | 12 |
| Asstt. Professor | — | 26 |
| Registrar/Demonstrator | — | 77 |

c) It is a fact that some of doctors posted at Silchar Medical College Hospital, Silchar do not attend duties regularly at their place of posting.

d) Government will take firm step to ensure that the posts meant for Silchar Medical College Hospital are filled up by suitable persons who devote full time in Silchar Medical College, Hospital and stay at their place.

Re : R. C. C. BRIDGE.

Smti. Pramila Rani Brahma asked :

★ 59. Will the Minister of P. W. D. be pleased to stare :

a) How many R. C. C. Bridges have been taken in the annual action plan of this current budget year ?

b) Whether the schemes for reconstruction of flood devastated bridge on the Gaurang river, near Boruapara has been taken in the action plan ?

c) If not, the reasons there of ?

Shri Atul Bora ( Minister of P. W. D. ) replied :

a) Annual plan for current year is yet to be finalised and hence question of annual action does not arise now.

b) Does not arise in view of the reply at (a) above.

c) Does not arise in view of reply at (a) The action plan is being finalised within December / 96.

Re : Sasoni And Naharkatia Road.

Smti. Pranati Phukan asked :

*60. Will the Minister of P. W. D. be pleased to state :

a) Whether Government is away of the dilapidated conditions of (1) Sasoni Road and Naharkatia P. W D. Road under Naharkatia L. A. C. ?

b) If so, whether Government will take any steps for immediate repairing / re-construction ?

c) If so, when ?

Thri Atul Bara ( Minister, P. W. D. ) replied :

a) Yes.

b) Action will be taken subject to availability of fund due to prevailing financial constraints.

c) According to availability of fund.

## UNTSARRED
## QUESTIONS AND ANSWERS

**Re : Hundred Bedded Hospital of Hojai Sub Division**

Dr. Ardhendu Kumar Dey asked :

101. Will the Minister of Health & Family Welfare be pleased to state :

a) Whether Govt. has any information that hundred bedded hospital for Hojai Sub- Division was sanctioned ?

b) Whether Government is aware that the construction of building were started and which is now stopped ?

c) What is the reason for stopping the construction ?

Dr. Kamala Kalita ( Minister, Health & Family Welfare ) replied :

a) Yes.

b) There has been slow progress but works not abandoned.

c) Does not arise.

*বিষয়—বাষ্ট্ৰিয় পথৰ দুৰৱস্থা ।*

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে ।

১০২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডিব্রুগড়ৰ পৰা তিনিচুকীয়ালৈকে এই ৰাষ্ট্ৰীয় পথ-ছোৱাৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) এই ভাগিয়োৱা পথছোৱা বনাবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

গ) এই পথছোৱাৰ বাবে হোৱা ৰাইজৰ বিলাই বিপত্তি দূৰ কৰিবৰ বাবে চৰকাৰে বিশেষ ভাৱে ৰাষ্টাটোৰ মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) কৰা হৈছে ।

গ) কৰা হব ।

## *বিষয় – পানী যোগানৰ পাইপ আঁচনি ।*

ডঃ হেমপ্ৰভা শইকীয়াই সুধিছে :

১০৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) খোৱা পানী যোগানৰ পাইপ আঁচনি নাজিৰা বিধান সভা সমষ্টিত কেইখন আছে ?

খ) উক্ত আঁচনি সমূহৰ কোনখন কাৰ্য্যক্ষম আৰু কোনখন অকাৰ্য্যক্ষম অৱস্থাত আছে ?

গ) কাৰ্য্যক্ষম হৈ নুঠা আঁচনিবোৰ কেতিয়াকৈ হব ?

শ্ৰীউৎপল দত্ত ( ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ), জনস্বাস্থ্য কাৰিকৰী বিভাগ ) য়ে উত্তৰ দিছে :

ক) মুঠ ৫৩ খন ।

খ) তালিকা ক, খ, আৰু গ'ত গাঠি দিয়া হ'ল ।

( See the Annexure -- III )

গ) সীমিত পূজিৰ মাজেৰে পৰ্য্যায়ক্ৰমে আঁচনিবোৰ কাৰ্য্যক্ষম কৰিবলৈ হাতত লোৱা হৈছে।

*বিষয়—বাছ চলাচল বন্ধ।*

শ্ৰীশুকুৰ আলীয়ে সুধিছে :

১০৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা গড়কাপ্তানী সংমণ্ডল ( পথ )ৰ অধীনত মেৰামতিৰ অভাবত কোন কোন পথত বাছ চলাচল বন্ধ হৈ আছে চৰকাৰ অবগত নে?

খ) বন্ধ হৈ থকা পথ বিলাকৰ মেৰামতিৰ কাম হবনে?

গ) যদি হয়, কেতিয়া হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় অৱগত। বাছ চলাচল বন্ধ হৈ থকা সৰ্ব্বমুঠ ৩০ টা পথৰ তালিকা খন গাঠি দিয়া হ'ল।

( See the Annexure—IV )

খ) হয়, হব।

গ) আৱশ্যকীয় পূজিৰ আৱণ্টন পালে মেৰামতিৰ কাম খৰটকীয়া কৰিব পৰা হব।

*বিষয়- চিকিৎসালয় স্থাপন কৰাৰ প্ৰস্তাৱ।*

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

১০৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী জিলাৰ নায়েৰ আলগা আৰু জবুৰা বন্দিহানা ( পিছৰপৰা চৰ অঞ্চল ) ত PHC স্থাপন কৰাৰ বাবে চৰকাৰৰ হাতত কোনো প্ৰস্তাৱ আছেনে ?

খ) যদি আছে তেন্তে কিমান দিনৰ পৰা এই প্ৰস্তাৱ পৰি আছে আৰু কিমান দিনৰ ভিতৰত এই প্ৰস্তাৱ মতে কাম সমাধা কৰা হ'ব ?

গ) যদি নাই তেন্তে উক্ত প্ৰস্তাৱ দুটা গ্ৰহণ কৰি বৃহত্তৰ চৰবাসী ৰাইজৰ স্বাস্থ্য সেৱাৰ কল্যাণৰ ব্যৱস্থা কৰা হ'বনে ?

ঘ) ধুবুৰী জিলাত উপ স্বাস্থ্য কেন্দ্ৰ কিমানটা আছে ? ইয়াৰে কিমানটাৰ ঘৰ আছে আৰু কিমনটা ভাড়া ঘৰত চলি আছে ?

ঙ) এই উপ-স্বাস্থ্য কেন্দ্ৰবোৰত বিষয়া নথকা আৰু মাহে প্ৰতি ঔষধ পাতিৰ যোগান নধৰাৰ কথা চৰকাৰ অৱগত নে ?

চ) ধুবুৰী জিলাতত তেনেদৰে ঔষধ পাতিৰ যোগান নধৰা উপ-স্বাস্থ্য কেন্দ্ৰ কিমানটা আছে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) প্ৰস্তাৱ আছে ।

খ) আজিলৈকে ধৰি বিবেচনাধীন হৈ থকা এই প্ৰস্তাৱ ৯ম-৫ম পৰিকল্পনাৰ কালছোৱাত সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা যায় ।

গ) প্ৰশ্ন নুঠে ।

ঘ) ধুবুৰী জিলাত ২৬০ টা উপ স্বাস্থ্য কেন্দ্ৰ আছে । ইয়াৰে ৮৬ টা চৰকাৰী ঘৰত ১৬৫ টা ভাড়া ঘৰত আৰু ৯ টা অন্যান্য ঘৰত চলি আছে ।

ঙ) কিছু সংখ্যক উপ-স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্যকৰ্মী ( ANM ) নথকাটো সচাঁ । ঔষধৰ যোগান মাহেকীয়া ভাবে ধৰা নহয় ।

চ) বিষয়টো অনুসন্ধান কৰি চোৱা যাব ।

***বিষয়—গড়কাপ্তানী পথৰ উন্নয়ণ ।***

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

১০৬ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ বৰ্ত্তমান শোচনীয় যাতায়তৰ ব্যৱস্থা উন্নয়ণৰ বাবে চৰকাৰে কিবা আঁচনি হাতত লৈছে নেকি ? যদি লৈছে তেন্তে এই আচঁনিত কিমান টকা ধাৰ্য্য কৰিছে ?

খ) অসমৰ বান কবলিত অঞ্চল সমূহত ছিন্ন ভিন্ন হৈ পৰা গড়কাপ্তানী পথ সমূহ তত্‌কালীন উন্নয়ণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

গ) ৰাষ্ট্ৰীয় ঘাই পথত থকা অতি শোচনীয় কাঠৰ দলং কালভাৰ্ট, পকী দলংৰ সংখ্যা কিমান ? ইয়াৰ উন্নয়ণৰ বাবে কিমান টকাৰ আচঁনি প্ৰস্তুত কৰা হৈছে ?

ঘ) অসমৰ কিমানটা গড়কাপ্তানী পথ ৰাজ্যৰ শেহতীয়া বানে ক্ষতি সাধিলে জিলা ভিত্তিত প্ৰতিবেদন দাখিল কৰিব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান বিত্তীয় বছৰত পূজিৰ আৱণ্টন সাপেক্ষে যাতায়তৰ ব্যৱস্থাৰ উন্নয়ণৰ বাবে বেলেগে বেলেগে আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিত ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনা বিভিন্ন শিতানত মুঠ ৭৩৪১.৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু ৰাজ্যিক পথ মেৰামতি শিতানত ৮৮০.০০ লাখ টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰোপৰি ৰাষ্ট্ৰীয় ঘাই পথৰ উন্নয়ণৰ বাবে মূল শিতানত ১৩৬৮.০০ লাখ ৰকা আৰু মেৰামতি শিতানত ৫০০.০০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

খ) বান বিধস্ত পথ মেৰামতিৰ বাবে টকা আৱণ্টণ দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হৈছে।

গ) ৰাষ্ট্ৰীয় ঘাই পথত থকা শোচনীয় দলং ইত্যাদিৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

কাঠৰ দলং ১২ খন

কালভাৰ্ট ৪ খন আৰু...

পকী দলং ২ খন। কাঠৰ দলং সমূহৰ মুঠ ৬ খনৰ মেৰামতিৰ বাবে মুঠ ৪১,১৭,৫৫৬.০০ টকাৰ আঁচনি প্ৰস্তুত কৰা হৈছে। বাকী ৬

খনৰ মেৰামতি পুণৰ নিৰ্ম্মাণৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ হাতত লোৱা হৈছে। ২ খন কালভাৰ্ট পুনৰ নিৰ্ম্মানৰ বাবে মুঠ ৩৭,৩২,০০০.০০ টকাৰ আচনি প্ৰস্তুত কৰা হৈছে। বাকী ২ খনৰ মেৰামতিৰ বাবে আচনি প্ৰস্তুত কৰা হেতু যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ঘ] শেহতীয়া বানপানীয়ে অসমৰ মুঠ ২৩০৫ টা ৰাষ্টাৰ ক্ষতি সাধন কৰিছে জিলা ভিত্তিৰ প্ৰতিবেদন গাঠি দিয়া হ'ল।

( See the Annexure—V )

Re : Water Supply ( Pipe ) Schemes.

Shri Prithibi Majhi asked :

107. Will the Minister of P. H. E. be pleased to State :

a] How many water supply ( pipe ) schemes are there under Sunari L. A. C. ?

b] Whether all these schemes are functioning ?

c] If not, whether Government will take necessary steps for its functioning ?

b] And when the works of approved schemes will be started ?

Shri Utpal Dutta. ( Minister of State Public Health Engineering ( Ind ) replied :

a] 28 Nos.

b] Out of total 28 Nos. of piped water supply schemes, 11 Nos. of piped water supply schemes are completed, 7 Nos. of piped water supply schemes are commissioned and 10 Nos. of piped water supply schemes are under execution. All the completed and commissioned piped water schemes are functioning.

c) Does not arise as all completed and commissioned schemes are functioning.

d) Due to paucity of fund work will be taken up in phased manner.

*বিষয়—পানী যোগান আচঁনিৰ কাৰ্য্যক্ষম কৰাৰ আঁচনি।*

শ্ৰীহেমন্ত কলিতাই সুধিছে :

১০৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে বৰ্ত্তমানে অব্যৱহৃত হৈ থকা পানী যোগান আঁচনি সমূহ কাৰ্য্যক্ষম কৰিবৰ বাবে কিবা আঁচনি লৈছে নেকি জনাবনে ?

খ) এই ক্ষেত্ৰত তিতাবৰ সমষ্টিৰ মহিমা, "এলেঙী" নটাঙা আঁচনি কেইটা কেতিয়া কাৰ্য্যক্ষম হব জনাবনে ?

গ) চৰকাৰে নতুন কিবা আঁচনি পানী যোগানৰ ক্ষেত্ৰত লৈছে জনাবনে, বিশেষকৈ চাহ বাগান আৰু জনজাতি অধ্যুষিত অঞ্চলত কিবা বিশেষ আঁচনি লব নোৱাৰিনে আৰু এই ক্ষেত্ৰত কিবা আঁচনি আছে নেকি ?

ঘ) চৰকাৰ অবগতনে দুষিত পানী খোৱাৰ বাবেই চাহ বাগান সমূহত গেষ্টএন্টাইটিছ বেমাৰত বহু শ্ৰমিকৰ মৃত্যু হৈছে এই ক্ষেত্ৰত বিভাগে কিবা কাৰ্য্যক্ষম আঁচনি গ্ৰহণ কৰিবনে ? যদি আচঁনি আছে জনাবনে ?

শ্ৰীউৎপল দত্ত (ৰাজ্যিক মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বতন্ত্ৰ) য়ে উত্তৰ দিছে।

ক) সীমিত পুজিৰ মাজেৰে পৰ্য্যায় ক্ৰমে ব্যৱস্থা লোৱা হৈছে।

খ) তিতাবৰ সমষ্টিত মহিমা, এলেঙী আৰু গটাঙা নামৰ কোনো আঁচনি নাই। অৱশ্যে মহিমাবাৰী আৰু এলেঙী নামচুঙ্গি নামে দুটা খোৱা পানী যোগান আঁচনি আছে। পূজি সাপেক্ষে যথাসম্ভৱ সোনকালে কাৰ্য্যক্ষম কৰা হব।

গ) বিবেচনাধীন হৈ আছে। চাহ বাগান এলেকাৰ বাবে নির্দ্দিষ্ট আঁচনি নাই অৱশ্যে অন্যান্য জনজাতি অধ্যুষিত অঞ্চলত জনজাতি উপআঁচনিৰ যোগেদি ও খোৱা পানী যোগান দিয়া হয়।

ঘ) এই ক্ষেত্রত এই বিভাগত সঠিক তথ্য নাই। চাহবাগান এলেকাত চাহবাগান কতৃপক্ষই শ্রমিকক খোৱা পানীৰ নিজাববিয়া ব্যৱস্থা কৰাৰ নিয়ম। এই বিভাগৰ চাহবাগান এলেকাৰ ভিতৰত খোৱা পানী যোগান ধৰাৰ নির্দ্দিষ্ট আঁচনি নাই।

*বিষয়--হাস্পাতালের ভৱন নির্মাণ।*

শ্রীসুখেন্দু শেখর দত্ত জিজ্ঞাসা করছেন :

১০৯। মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন :

ক) প্রাক্তন বিধায়ক ( দক্ষিণ করিমগঞ্জ ) মহাশয়ের প্রস্তাৱক্রমে মঞ্জুরীকৃত করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত নিম্নোক্ত হাস্পাতাল গুলির ভৱন নির্মানের কাজ বর্ত্তমানে অর্থবর্ষে শুরু করার জন্য বর্ত্তমান সরকার কি কি কার্য্যকরী ব্যৱস্থা নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল কৰিবেন কি ?

১) রাজারঘাট ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল।

( No. HLA. 862/95 ) 8 (A) dated Dispur 29th November 1995 from Dy. Secretary to the Government of Assam, Health & F. W. (A) Department to the under Secretary Government of Assam, P. W. D. ( Dev. B ) Branch, Dispur-6 )

২। নিলাম বাজার ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল

৩। নগেন্দ্র নগর প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ No. HLA/42/93/4 dated 30th March, 1993.

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নিশ্চয় কৰিম।

১। ৰাজঘাট ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ বাবে বিভাগীয় Facibility Report সংগ্ৰহ কৰা হৈছে ও গড়কাপ্তানী বিভাগক প্ৰাককলন দাখিল কৰিবলৈ অনুৰোধ কৰা হৈছে।

২। নিলাম বজাৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মানৰ বাবে প্ৰয়োজনীয় অনুমোদন জনোৱা হৈছে। প্ৰথমতে RCC ঘৰৰ প্ৰাক-কলন পোৱা হৈছিল। ভূমী পৰীক্ষা কৰাত দেখা গ'ল যে গৃহৰ প্ৰাককলনৰ পৰিবৰ্ত্তনৰ প্ৰয়োজন হ'ব। সেয়েহে নিৰ্মাণ কাৰ্য্যত দেৰি হৈছে।

৩। নগেন্দ্ৰ নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ বাবে নিবিদা আদি আহ্বান কৰি ঠিকাদাৰক কামৰ আৰম্ভন দিয়া হৈছিল। কিন্তু উক্ত ঠাইলৈ যোৱা পথটো আৰু দলং বেয়াকৈ থকাৰ বাবে কাম আৰম্ভ কৰিব পৰা নাই

(Unstarred Question No 110 was deferred)

*বিষয়—চিকিৎসা বিষয়াৰ দ্বাৰা টকা আত্মসাৎ।*

শ্ৰীকৰুণা দত্তই সুধিছে :

১১১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) স্বাস্থ্য বিভাগত গত চৰকাৰৰ দিনত বহুতো চিকিৎসা বিষয়াই টকা আত্মসাৎ কৰাৰ বাবে চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল সঁচানে ?

খ) যদি সঁচা সেই সকল নিলম্বিত বিষয়াৰ পৰা আত্মসাৎ কৰা চৰকাৰী টকা সমূহ উদ্ধাৰ হ'লনে ?

গ) সেই সকল দুৰ্নীতিগ্ৰস্ত স্বাস্থ্য বিষয়াৰ এখন তালিকা দিবনে ?

ডাঃ কমলা কলিতা, ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা নিলম্বিত কৰা হৈছিল ।

খ) প্ৰশ্ন নুঠে । আগৰ মন্ত্ৰী সভাৰ দিনতেই এওঁলোকৰ বিৰুদ্ধে অনা অভিযোগবোৰ নিস্পত্তি কৰি তেওঁলোকৰ বিৰুদ্ধে তৰা বিভাগীয় গোচৰ খাৰিজ কৰিছে ।

গ) যিহেতু দুৰ্নীতিৰ প্ৰমাণ হোৱা নাই, তালিকা দিয়াৰ প্ৰশ্ন নুঠে ।

Re—300 Bedded Hospital.

Sri Aminul Islam asked :

112. Will the Minister of Health & Family Welfare be pleased to state ?

a) Whether the Government is aware of the fact that the people of Dhubri District are demanding since-long to convert the Dhubri Civil Hospital in to a 300 hundred bedded Regional Hospital with all modern medical facilities.

b) Whether the Government has taken any decision to convert the Dhubri Civil Hospital in to a Regional Hospital ?

c) If yes, when the commencement of the actual work will start ?

Dr. Kamala Kalita ( Minister, Health & F. W. ) replied

a) Yes.

b) No.

c) Does not arise.

*বিষয়—বিশ্ব বেংকৰ ধন।*

শ্ৰীভীমানন্দ তাঁতীয়ে সুধিছে :

১১৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিশ্ব বেংকৰ ধনেৰে ৰাজ্যখনৰ পথ আৰু দলং নিৰ্ম্মাণ কৰিবলৈ চৰকাৰে আঁচনি লোৱা কথাটো সঁচানে ?

খ) যদি সঁচা মুঠ কিমান পথ আৰু দলং বিশ্ব বেংকৰ ধনেৰে নিৰ্ম্মাণ কৰা হব ?

গ) নিৰ্ম্মাণ কাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) হয় সঁচা।

খ) ১৪০০ কিঃ মিঃ গ্ৰাম্য পথ আৰু ২৮২ খন কাঠৰ দলঙৰ ঠাইত পকী দলং নিৰ্ম্মাণৰ আঁচনি গ্ৰহন কৰা হৈছে।

গ) বিশ্ব বেংকৰ বিশদ নিয়মাৱলীৰ অধীনত প্ৰকল্প ৰূপায়নৰ প্ৰস্তুতি কাৰ্য্য ১৯৯৫ চনৰ আগষ্ট মাহৰ পৰাই হাতত লোৱা হৈছে আৰু কাৰ্য্যক্ষেত্ৰত প্ৰকৃত ৰূপায়ন ১৯৯৭ চনৰ জানুৱাৰী মাহৰ পৰা দলং নিৰ্ম্মাণৰ কামেৰে আৰম্ভ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

Re : P. W. D. Roads under E. E. Barpeta.

Shri Sheikh Adbul Hamid asked :

114. Will the Minister of P.W.D. be pleased to state :

a) Is it fact the Mandia Rowmari P. W. D. Roads and Mandia Dongra P. W. D. Roads (under E. E. Barpeta ) were badly damaged during last flood ?

b) If so, whether Government have taken steps for restoration of the roads ?

Shri Atul Bora ( Minister P. W. D. ) replied :

a) Yes.

b) Steps will be taken for repairing / reconstruction of the roads as per availabilities of F. D. R. fund.

**বিষয়—পানী যোগান আঁচনি ।**

শ্ৰীকেশৰাম বৰাই সুধিছে :

১১৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সমগ্ৰ অসমত ওৱাটাৰ চাপ্লাই পাইপ লাইন স্কীম কিমান আছে ?

খ) এই সকলো বিলাক আঁচনিয়ে খোৱা পানী যোগান ধৰি আছেনে ?

গ) আগৰ চৰকাৰৰ দিনত কিমান আঁচনিয়ে খোৱা পানী যোগান ধৰিছিল আৰু বৰ্ত্তমান চৰকাৰৰ সময়ত কিমান আঁচনিৰ জৰিয়তে খোৱা পানী যোগান ধৰি থকা হৈছে জনাবনে ?

ঘ) নতুনকৈ ওৱাটাৰ চাপ্লাই পাইপ লাইন আঁচনি গ্ৰহন কৰিছে নেকি জনাবনে ?

শ্ৰীউৎপল দত্ত ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰাজ্যিক মন্ত্ৰী, ( স্বতন্ত্ৰ ) য়ে উত্তৰ দিছে :

ক) মুঠ ৩৪২৮ টা

খ) নাই।

গ) আগৰ চৰকাৰৰ দিনত ২৩৫৩ টা আঁচনিয়ে খোৱা পানী যোগান ধৰিছিল আৰু বৰ্ত্তমান চৰকাৰৰ সময়ত ২৫৫৬ টা আঁচনিৰ জৰিয়তে খোৱা পানী যোগান ধৰি থকা হৈছে।

ঘ) প্ৰয়োজন সাপেক্ষে পুঁজি অনুপাতে ব্যৱস্থা লৈ থকা হৈ আছে।

Re : Improvement of Road.

Shri Abu Saleh Najmuddin asked :

116. Will the Minister of P. W. D. be pleased to state :

a) Is there any plan of the Government to improve the Surma Trunk Road ( Karimganj to Sutarkandri ) 1996–97 ?

b) Kaliganj Chargola Road in 1996-97

Shri Atul Bora. ( Minister, P. W. D. ) replied :

a) A proposal have been submitted to the Government. under International Border Area Dev. scheme for 96-97 amounting to Rs. 48·00 Lakhs. The plan and estimate will be submitted after receiving the approval of the Government.

b) A proposal have been submitted to the Government under International Border area Dev. scheme for 96-97 amounting to Rs. 28.00 Lakhs. The plan and estimate will be submitted after receiving the approval of the Government.

*বিষয়—পৰিবহন নিগমৰ বাছ গাড়ীৰ সংখ্যা।*

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে :

১১৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত বৰ্ত্তমান সৰ্বমুঠ কিমান বাছ গাড়ী আছে ?

খ) উক্ত বাছ গাড়ীৰ সৰ্বমুঠ কিমান কাৰ্যক্ষম আৰু অকাৰ্যক্ষম হৈ আছে ?

গ) বাছৰ যোগাযোগ বিছিন্ন ( বন্ধ হৈ থকা ) পথ ৰাজ্যখনত বৰ্ত্তমান কিমান আছে ?

শ্ৰীপ্ৰদীপ হাজৰিকা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৫৭০ খন বাছ আছে ।

খ) বৰ্ত্তমান ৩৭০ ৰ পৰা ৪০০ খন বাছ পথত চলি আছে আৰু বাকী ১৭০ খন সাময়িক ভাৱে মেৰামতিৰ বাবে অকাৰ্য্যক্ষম হৈ আছে ।

গ) বৰ্ত্তমান প্ৰায় ৭৫ টা পথত পৰিবহন নিগমৰ বাছ চলাচল বন্ধ হৈ আছে ।

Re : C. E. Letter.

Shri Bharat Chandra Narah, asked :

118. Will the Minister of Public Health Engineering be pleased to state :

a) Whether a letter was written by Chief Engineer, P. H. E. to the Executive Engineers of different divisions of the Public Health Engineering Department asking to furnish the total requirement of Materials up to March, 1997 with approved rate ?

b) If so, please state the reasons behind the letter.

Shri Utpal Dutta ( Minister of State, Public Health Engineering ( Ind. ) replied :

a) A letter was written by Chief Engineer (PHE) to all the Divisions of the Deptt. to send requisition of materials with rate for operation and maintenance schemes to A. C. E. (PHE) and C. E. (PHE) through respective Superintending Engineers for approval.

b) The reason behind the issue of this letter is to restrict the purchases of the Divisions as far as practicable in view of financial constraint of maintenance of fund.

*বিষয়—ধোদৰ আলি ।*

শ্ৰীমতী ৰূপম কুৰ্মী য়ে সুধিছে ঃ

১১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধোদৰ আলি মৰিয়নী পুলিচ পইণ্টৰ পৰা শিলিখালৈ প্ৰায় ৯ কিলোমিটাৰ ৰাস্তাৰ ঠায়ে ঠায়ে সৰু সৰু পুখুৰীৰ নিচিনা দ গাত সৃষ্টি হোৱাৰ ফলত যাতায়তৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে এই কথা মন্ত্ৰী মহোদয়ৰ অৱগতনে ?

খ) চলিত বিত্তীয় বছৰত ইয়াত পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰি মেৰামতি কৰাৰ ব্যৱস্থা কৰিবনে ?

গ) মৰিয়নী সীমান্তৱৰ্ত্তী অঞ্চলত থকা খিৰযীয়া বি, অ, পিৰ পৰা আৰম্ভ কৰি মৰঙ্গীয়াল বি. অ, পি, লৈকে সমুদায় দলং ভাগি আছে ফলত আৰক্ষী লোকৰ যাতায়তৰ অসুবিধা হৈছে, মন্ত্ৰী মহোদয় অৱগতনে ?

ঘ) উক্ত দলং সমূহ চলিত বিত্তীয় বছৰতে মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয় অৱগত ।

খ) আৱশ্যকীয় পুজিৰ আৱন্টন সাপেক্ষে ব্যৱস্থা গ্ৰহন কৰা হব ।

গ) হয় অৱগত ।

ঘ) আৱশ্যকীয় পুজিৰ আৱন্টন সাপেক্ষে ব্যৱস্থা গ্ৰহন কৰা হব ।

Re : Revenue collection.

Shri Abdul Muqtadir Choudhury asked :

120. Will the Minister of Transport be pleased to state.

a) Revenue received from the vehicles having National Permit issued from other State operating in the State of Assam or through Assam as composite fees in 1993-94, 1994-95, 1995-96 ( Amount of through Bank Draft received from other state may be mentioned )

b) In how many cars renewal of authorisation on the on expiry of the validity period was not made during the above period ?

Shri Pradip Hazarika ( Minister, Transport ) replied :

a) The revenue received as composite fee from the vehicles having National permit issued by other state operating in Assam or through Assam are as follows :-

i) 1993-94 — Rs. 0,01,25,268.00

ii) 1994-95 — Rs. 9,07,37,488.00

iii) 1995-96 — Rs. 7,37,24,042.00

b) No information of non-renewal of National permit by the other states is received and no case has also been detected during the period of 1993-94, 1994-95 and 1995-96.

*বিষয়—দলঙৰ পুনৰ নিৰ্মাণ ।*

শ্ৰীৰবীন বণিক্যই সুধিছে :

১২১ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৩১ নং আৰু ৩১ (খ) নং ৰাষ্ট্ৰীয় ঘাই পথ সংযোগ কৰা উত্তৰ শালমাৰাৰ কুজীয়া নৈৰ ওপৰত থকা দলংখন পুনৰ নিৰ্মাণৰ ব্যৱস্থা হাতত লৈছে নে ?

খ) যদি লোৱা নাই, কেতিয়া লোৱা হ'ব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমান পুনৰ নিৰ্ম্মানৰ কাম হাতত লোৱা নাই ।

খ) বিত্তীয় অৱস্থা সুচল হলৈ পুনৰ নিৰ্ম্মানৰ কাম হাতত লোৱা হ'ব ।

*বিষয়- পৰিবহন নিগমৰ বাছৰ চলাচল ।*

শ্ৰীৰেণুপমা ৰাজখোৱা সুধিছে :

১২২ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চিন্তাক্ষন গড়ৰ পৰা ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হৈ তিনিচুকীয়ালৈ পৰিবহন নিগমৰ বাছখন বন্ধ থকাৰ কথা মন্ত্ৰী মহোদয়ৰ অৱগতনে ?

খ) অসমত বৰ্ত্তমানলৈকে কিমান পৰিবহনৰ বাছ চলাচলৰ উপযোগী হৈ আছে ?

শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় কিন্তু বাছখন চিন্তামনি গড়ৰ পৰাহে আৰম্ভ হয় ।

খ) বৰ্তমান ৩৭০ ৰ পৰা ৪০০ খন বাছ চলাচলৰ উপযোগী হৈ আছে ।

Re : 30 Bedded Rajgarh Hospital

Shri Etuwa Munda asked :

123. Will the Minister of Health and Family Welfare be pleased to state :

a) Will the Government take necessary steps for opening of Indoor 30 Bedded Rajgarh Hospital of Dibrugarh District ?

b) If so, when ?

Dr. Kamala Kalita ( Minister Health & Family Welfare ) replied :

a) The proposal will be duly considered.

b) In due course subject to availibility of fund.

Re : Teaching staff of Assam Medical College.

Dr. Kalyan Gogoi asked :

124. Will the Minister of Health & Family Welfare be pleased to state :

a) What is the total number of the Teaching Staff Department wise under the Assam Medical College, Dibrugarh ?

b) What is norms for Teaching Staff in a Medical College under the Indian Medical Council ?

Dr. Kamala Kalita [ Minister, Health & Family Welfare ] replied :

a) Total number of teaching staff in Assam Medical College is 256. The Departmentwise position has been shown in the enclosed list. ( ANNEXURE-A )

[ See the Annexure-VI ]

b] The number of teaching staff will have to be in ratio

1 : 10 students. For every 50 additlonal admission over 100, there should be two senior teachers and three junior teachers in addition to that prescrided in the standard requirement for 100 admission. The senior teachers will be of the rank as follows :

1. Professor or Associate Professor.
2. Reader/Asstt. Professor.

*বিষয়—দলং নিৰ্ম্মানৰ দাবী ।*

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে :

১২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) জীয়া ভৰলীৰ ওপৰত ২য় খন দলং নিৰ্ম্মানৰ কাৰণে দীৰ্ঘ দিনীয়া ৰাজহুৱা দাবীৰ বিষয়ে অৱগতনে ?

খ) এই সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক] হয়, অৱগত।

খ] জীয়া ভৰলীৰ ওপৰত ২য় খন দলং নিৰ্ম্মানাৰ্থে বৰ্ত্তমান জৰিপৰ কাম চলি আছে আৰু বৰ্ত্তমানলৈকে ৭০ শতাংশ কাম সম্পূৰ্ণ হৈছে।

*বিষয়—কৰ্মচাৰী নথকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ।*

শ্ৰীআবুবক্কৰ ছিদ্দিক জোতদাৰে সুধিছে :

১২৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত কিমান খন চিকিৎসক আৰু কৰ্মচাৰী নথকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে ?

খ) গোৱালপাৰা জিলাৰ জয়পুৰ প্ৰথমিক স্বাস্থ্য কেন্দ্ৰত মুঠ কেইজন ডাক্তৰ নাৰ্চ আৰু কৰ্মচাৰী নিযুক্তি দিয়া হয় ?

ডাঃ কমলা কলিতা [ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ] য়ে উত্তৰ দিছে :

ক] বিষয়টো অনুসন্ধান কৰি চোৱা যাব ।

খ] গোৱালপাৰা জিলাৰ জয়পুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ডাঃ মঃ আমিনুৰ ৰহমানক নিযুক্তি দিয়া হৈছে । অন্যান্য কৰ্মচাৰী নিযুক্তি দিয়া হৈছে ।

Re : Dilapidated conditions of P. W. D. Roads at Bijni.

Shri Mohini Basumatary asked :

127. Will the Minister of P. W. D. be pleased to state :

a] Whether Government is aware of the fact that the existing P. W. D. Roads within Bijni Sub-Division are in deplorable condition particularly the condition of the following roads :

1. Bijni to Amteka via Boro bazar.
2. Bijni to Kuklang-Kuklang to Kumursali via Ballamguri.
3. Bijni to Ananda Bazar via Borlagaon.
4. Bijni to Panbari via Ulubari to Bishnupur.
5. Bijni to Panbari via Patiladaha.
6. Bijni to Subhaijhar via Mangolian Bazar.

B] Whether Government will take urgent and immediate steps to get the roads repaired ?

C) If yes, when ?

D) If not, why ?

Shri Atul Bora ( Minister P. W. D. ) replied :

A) Yes, Government is aware of the fact.

B) Repair to roads will be taken up in phased manner as and when fund will be made available.

C) Replies as furnished against question No. (B)

D) Does not arise.

*বিষয় – অসম মেডিকেল কলেজত খালী পদ।*

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১২৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম মেডিকেল কলেজ ডিব্ৰুগড়ত কিমানটা পদ অধ্যাপক, সহকাৰী অধ্যাপক, ডেমনষ্ট্ৰেটৰ, ৰেজিষ্টাৰ আদি কিমান দিনৰ পৰা খালী হৈ আছে জনাবনে ?

খ) এই পদবোৰ পুৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়ালৈকে পদবোৰ পুৰণ কৰা হব জনাবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ?

ক) অসম মেডিকেল কলেজ ডিব্ৰুগড়ত তলত উল্লেখ কৰা পদ সমূহ খালী হৈ আছে।

| | | |
|---|---|---|
| ১। | অধ্যাপকৰ পদ | ৭ টা |
| ২। | সহযোগী অধ্যাপকৰ পদ | ২ টা |
| ৩। | সহকাৰী অধ্যাপকৰ পদ | ৬ টা |
| ৪। | ডেমনেষ্টটৰ / ৰেজিষ্টাৰ আদি | ৫৩ টা ( ইয়াৰ ভিতৰত ১০ টা পদ উচ্চ শিক্ষা লবলৈ যোৱাৰ বাবে খালী হৈছে )। |

পদবোৰ কেতিয়াৰ পৰা খালী হৈ আছে তাৰ তালিকা লগত গাঠি দিয়া হ'ল। ( Annexure—A )

( See the Annexure-VII )

খ) অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ পদবোৰ অহ'তা সম্পন্ন বিভাগীয় চিকিৎসকক পদোন্নতি দি পূৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈ আছে।

ডেমনেষ্টটৰ / ৰেজিষ্ট্ৰাৰ আদি পদৰ বাবে অসম লোক সেৱা আয়োগৰ লগত যোগাযোগ কৰা হৈছে। অসম লোক আয়োগৰ পৰা তালিকা পালেই পদবোৰৰ পুৰণ কৰাৰ ব্যৱস্থা লোৱা হব।

Re : Health Centres of Cachar District.

Shri Anowar Hussain Laskar asked :

129. Will the Minister of Health be pleased to state :

a) Total Numbers of Health Centres, Sub-Centres in Cachar district contituency wise ?

b) Whether these P. H. C's and Sub-Centres have qualified doctors and other staffs and Medicines, equipments etc required for these P. H. C's and Sub-Centres are available ?

c) If yes, the names of thh PHC's and the Sub-Centres constituency wise ? If not, the steps taken from the Government end ?

Dr. Kamala Kalita ( Minister of Health and Family Welfare ) replied :

a) Health Centres — 43 number, Sub-Centre ( Medical ) 37 number and Sub-Centres ( Family Welfare ) 243.

Total number of Health Institutions — 323.

b) Yes.

c) Medical Institutions are established on the basis of population and block PHC wise, not constitutionwise.

**বিষয়—ৰাস্তা উন্নয়ন তথা মেৰামতিৰ মঞ্জুৰী**

শ্ৰীমোহন দাসে সুধিছে :

১৩০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা গড়কাপ্তানী (পথ) সংমণ্ডলৰ অধীনস্থ পাঠশালা শিমলা (বামুনমাৰা হৈ) কঠোৰ আলি ৰাস্তা আৰু পাটাচাৰকুছি অঞ্চলী ৰাস্তা এই ৰাস্তা দুটা উন্নয়ন তথা মেৰামতি বাবে ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ চনত কিমান পুজিৰ মঞ্জুৰী দিয়া হৈছিল ? এই পুজি ব্যৱহাৰ কৰা হৈছেনে ? যদি হোৱা নাই কেতিয়া কৰা হব ?

খ) বৰ্ত্তমানে অতি জৰাজীৰ্ণ অৱস্থাত থকা অতি ব্যস্ত এই ৰাস্তা দুটা উন্নত কৰাৰ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বৰপেটা গড়কাপ্তানী (পথ) সংমণ্ডলৰ অধীনস্থ পাঠশালা শিমলা (বামাখাটা হৈ) কঠোৰ আলি পথৰ আৰু পাটাচাৰকুছি অঞ্চলী পথৰ উন্নয়নৰ বাবে ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ চনৰ A. O. P. শিতানত ক্ৰমে ক্ৰমে ১১,১২ লাখ টকা আৰু ৫.৫৫ লাখ টকা দিয়া হৈছিল । উক্ত পুজিৰ আৱণ্টন নোহোৱা বাবে ব্যৱহাৰ হোৱা নাই । পুজি আৱণ্টন পালে ব্যৱহাৰ কৰা হব ।

খ) উক্ত A. O. P. শিতানৰ ওপৰিও কঠোৰ আলি আৰু পাটাচাৰকুছি অঞ্চলী পথৰ বছৰেকীয়া মেৰামতিৰ শিতানত আৰু বানপানীৰ ক্ষতিগ্ৰস্থ মেৰামতিৰ আঁচনি সমূহৰ পুজিৰ আৱণ্টন পালে পথ দুটাৰ উন্নতি কৰিব পৰা যাব ।

**বিষয় —স্বাস্থ্য উপকেন্দ্ৰ নিৰ্ম্মান কৰাৰ ব্যৱস্থা।**

শ্ৰীমতী অমীয়া গগৈ সুধিছে :

১৩১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিব্ৰুগড় জিলাৰ টেঙাখাত থানৰ অন্তৰ্গত ৰংচঙী অঞ্চলত প্ৰস্তাৱিত স্বাস্থ্য উপকেন্দ্ৰটো নিৰ্ম্মান কৰাৰ ব্যৱস্থা গ্ৰহন কৰিছে নেকি ?

খ) এইটো সচানে এই উপকেন্দ্ৰটো নিৰ্মানৰ বাবে নিবিদা গ্ৰহন কৰা স্বত্বেও অদ্যপৰিমিত বিভাগীয় কতৃপক্ষই পিছ হোহোকা দি আছে ? এই সম্পৰ্কত সবিশেষ সদনৰ মজিয়াত দাঙি ধৰিব।

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়।

খ সচা নহয়।

**বিষয়—গেলেকী লখিমী জান পথ।**

ডঃ হেমপ্ৰভা শইকীয়াই সুধিছে :

১৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নাজিৰা সমষ্টিৰ গেলেকী লখিমীজান পথটোৰ অতি শোচনীয় অৱস্থা সম্পৰ্কে চৰকাৰ অৱগতনে ?

খ) যদি অবগত, তেন্তে পথটোৰ মেৰামতিৰ বাবে আঁচনি লৈছেনে ?

গ) যদি লৈছে, তেন্তে কিমান দিনৰ ভিতৰত পথটো চলাচল উপযোগী কৰি তুলিব জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) উক্ত পথটো নাজিৰা গড়কাপ্তানী পথ সংমণ্ডলৰ নথিভুক্ত নহয়। বৰ্ত্তমানে পথটো তেল আৰু প্ৰকৃতিক গেছ আয়োগৰ দ্বাৰা প্ৰতিপালন কৰা হয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

Re : T. B. Treatment Centre.

Dr. Nazrul Islam, asked :

133. Will the Minister of Health and Family Welfare be pleased to state :

a) Whether the construction of T. B. Treatment Centre in Morigaon Civil Hospital is completed or not ?

b) Whether it will be opened this year.

Dr. Kamala Kalita ( Minister, Health & Family Welfare ) replied :

a) There is provision for Treatment of T. B. patients in the existing Civil Hospital.

b) It has already been functioning as a Chest Clinic.

Re : Master Roll Workers.

Shri Shambhusing Mallah asked :

134. Will the Minister of P. H. E. be pleased to state :

a) How many Master roll workers were engaged in Karimganj P. H. E. Division during the year 1992-93, 1993-94, 1994-95 ?

( Please give their name, address and qualification scheme wise on the table of the House.)

b) Are there any Government provision to treat I. T. I. trained M/R worker as un-skilled worker in this department ?

c) Had the Government taken decision not to cancel

the service of M/R workers in P. H. E., who were appointed before 31 st December, 1993 ?

Shri Utpal Dutta, ( Minister of State, P. H. E. ( Ind. ) replied :

a) Master Roll workers were engaged in Karimganj Division as follows :-

1) 1992-93 = 35 Nos. of M. R. ( Details in Annexure-I )

2) 1993-94 = 35 Nos. of M. R. (Details in Annexure-II )

3) 1994-95 = No. M. R. were engaged.

( See the Annexure-VIII )

b) No.

c) No.

***বিষয়—চিকিৎসালয় উন্নতিকৰণ।***

শ্ৰীমতী প্ৰনতি ফুকনে সুধিছে :

১৩৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নামৰূপত থকা ষ্টেট ডিচপেঞ্চেৰী খন ৩১ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নতিকৰণৰ কিবা ব্যৱস্থা চৰকাৰে লৈছেনে ?

খ) যদি লৈছে, এই ব্যৱস্থা কেনে পৰ্য্যায়ত আছে ?

গ) যদি নাই, উন্নীতকৰণৰ ব্যৱস্থা লবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) লোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) পুঁজি সাপেক্ষে প্ৰচলিত বিধি অনুযায়ী ব্যৱস্থা লোৱা হব।

*বিষয়—ৰাস্তাৰ দুৰৱস্থা আৰু ভঙা দলং।*

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

১৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰ কৰি জনাবনে :

ক) ধুবুৰী জিলাৰ বিলাসীপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত নয়াহাট সাপটগ্ৰাম ৰাস্তা, মাকৰীঝাৰ পিয়াজবাৰী ৰাস্তা, ছাতাগুৰী পিয়াজবাৰী ৰাস্তা পানবাৰী. কাউৰবাৰী ( ফছতপুৰ ) ৰাস্তা, বিলাসীপাৰা মায়াৰচৰ ৰাস্তাৰ দুৰৱস্থাৰ কথা তথা এই ৰাস্তা কেইখনৰ দলংবোৰ কেইবছৰৰ পৰা ভাঙি পৰি থকাৰ কথা চৰকাৰ অবগতনে? যদি জানে তেন্তে বৰ্ত্তমানৰ অৱস্থা কি?

খ) ৰাস্তা কেইটাৰ ভঙা দলংবোৰ মেৰামতিৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে? যদি লৈছে, তেন্তে কেতিয়া উক্ত কাম সমাধা কৰা হব?

গ) উপৰোক্ত ৰাস্তা [ আঁচনি ] বোৰৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে চৰকাৰে জানেনে? যদি জানে তেন্তে আঁচনিৰ কাম, আৰম্ভৰ তাৰিখ আৰু কেতিয়ালৈ এই সমষ্টিৰটোৰ ৰাস্তা কেইটাৰ কাম সম্পূৰ্ণ কৰা হব?

শ্ৰীঅতুল বৰা [ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ] য়ে উত্তৰ দিছে :

ক) হয়, চৰকাৰ এই বিষয়ত অবগত।

নয়াহাট সাপটগ্ৰাম ৰাস্তা যানবাহনৰ বাবে খোলা আছে। বাকী ৰাস্তা কেইটা বন্ধ হৈ আছে।

খ) ৰাস্তা কেইটাৰ আৰু দলং বোৰৰ মেৰামতিৰ কাম বিভিন্ন আঁচনিৰ মাধ্যমেৰে প্ৰয়োজনীয় পূজিৰ আবণ্টন অনুসাৰে পৰ্য্যায়ক্ৰমে হাতত লোৱা হৈ আছে। আৱশ্যকীয় পুজিৰ আৱণ্টন পালে কামবিলাক সোনকালে সমাধা কৰিব পৰা যাব।

গ) হয়, চৰকাৰে জানে।

উল্লেখিত ৫ [ পাচ ] টা ৰাস্তাৰ ভিতৰত নয়াহাট সাপটগ্ৰাম [বৰকান্দা-

সাপটগ্ৰাম ] কাম বহু আগেয়ে সম্পূৰ্ণ কৰা হৈছে। আৰু বাকী ৪ ( চাৰি ) টা ৰাস্তা এম, এন, পি আঁচনিৰ জৰিয়তে ১৯৭৭-৭৮ আৰু ১৯৮২-৮৩ চনত আৰম্ভ কৰা হৈছে আৰু পূঁজিৰ আবণ্টন অনুসাৰে পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব ।

## RE : DAMAGED WOODEN BRIDGES

Shri Prithibi Majhi asked :

137. Will the Minister of P. W. D. be pleased to state :

a) How many damaged Wooden bridges are there under Sunari L. A. C.

b) Whether Govt. will take necessary steps for Construction/repairing of these wooden bridges ?

c) If so, when ?

Shri Atul Bora ( Minister, P. W. D. ) replied –

a) 29 Nos. of S. P. T. bridges.

b) Yes, step will be taken in phased manner subject to availability of fund.

c) Reply same as (b) above.

## বিষয়– আভ্যন্তৰীন যোগাযোগ উন্নয়নৰ ব্যৱস্থা ।

শ্ৰীকৰুনা দত্তই সুধিছে :

১৩৮ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যৰ আভ্যন্তৰীন যোগাযোগ ব্যৱস্থা উন্নয়নৰ কেনে ব্যৱস্থা হাতত লৈছে ?

খ) সমগ্র অসমৰ পিছপৰা অনগ্রসৰ অঞ্চলৰ লগত জলপথ স্থলপথৰ যোগেদি অতি কম সময়ৰ ভিতৰত যোগাযোগৰ ব্যৱস্থা নোহোৱাৰ বাবে পিছ-পৰা অঞ্চল বিলাক আজিও অনগ্রসৰ হৈ থকা চৰকাৰৰ অবগতনে ?

গ) চৰকাৰে এই বিষয়ে সুব্যৱস্থা হাতত লৈছেনে, যদি লৈছে কেনে ব্যৱস্থা লৈছে জনাবনে ?

শ্রীপ্রদীপ হাজৰীকা ( পৰিবহন বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) ৰাজ্যৰ আভ্যন্তৰীণ যোগাযোগ ব্যৱস্থা উন্নয়নৰ হকে বৰ্ত্তমান আভ্য-ন্তৰীণ জল পৰিবহন বিভাগৰ অধীনত মুঠ ৬৬ টা পাৰঘাটত স'ৰু ডাঙৰ ফেৰী সেৱা সুচাৰুপে চলাই থকা হৈছে। তদুপৰি ৰাজ্যৰ বিভিন্ন ঠাইৰ মাজত স্থল যোগাযোগ উন্নত কৰিবৰ বাবে বিভিন্ন যান বাহনক আৱশ্যকতাৰ বিত্তিত অনুজ্ঞাপত্র দি থকা হৈছে। অসম পৰিবহন নিগমৰ যোগেদিও পৰ্য্যমানে বিভিন্ন ঠাইৰ মাজত বাছ সেৱাৰ ব্যৱস্থা কৰা হৈছে।

খ) হয়।

গ) জল পৰিবহন খৰতকীয়া কৰিবৰ বাবে আধুনিক দ্রুতগামী জলযান চলাবৰ বাবে পুজি সাপেক্ষে ব্যৱস্থা লৈ থকা হৈছে। ৰেল সেৱা আৰু পথ পৰিবহনৰ স্চলৰ বাবে পঞ্চৰত্নত ব্রহ্মপুত্রৰ ওপৰত দলং নিৰ্মানৰ কাম ৩১/৩/৯৭ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হব। তদুপৰি বগী-বিলত ব্রহ্মপুত্রৰ ওপৰত আৰু এখন দলং নিৰ্মানৰ বাবে ৰেলৱে বিভাগে জৰিপৰ কাম হাতত লৈছে। এনেবোৰ প্রকল্প সম্পূৰ্ণ হলে স্থল পৰি-বহনৰ যোগাযোগ আগতকৈ স্চল হব।

*বিষয়—পুজি নিৰ্দ্ধাৰণ।*

শ্রীনিজামুদ্দিন খানে সুধিছে :

১৩৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯৫-৯৬ বিত্তীয় S/R (Supplementary programme ) ৰ অধীনত কিমান পুজি নিৰ্দ্ধাৰণ কৰা হৈছিল ( জিলা ভিত্তিত জনাব ) ?

খ) এই পূজি কিমান মোকোলাই দিয়া হৈছিল ( জিলা ভিত্তিত জনাব ) ?

গ) উক্ত আঁচনিৰ অধীনত কিমানখন দলং আৰু কিমান কিঃ মিঃ ৰাস্তাৰ মেৰামতি কাম সম্পূৰ্ণ কৰা হৈছে ?

ঘ) অসম্পূৰ্ণ দলং আৰু ৰাস্তাৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছেনে ?

ঙ) বৰপেটা জিলাৰ দলং আৰু ৰাস্তাৰ মেৰামতিৰ কামৰ তালিকা আৰু পূজি আদায় দিয়াৰ তথ্য জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ( য়ে উত্তৰ দিছে :

ক) ৮০ কৌটি টকা নিৰ্দ্ধাৰণ কৰা হৈছিল ( জিলা ভিত্তিত তালিকা (ক) গাঠি দিয়া হ'ল )

( See tne Annexure—IX )

খ) এই পূজি মোকলাই দিয়া হোৱা নাই ।

গ) উক্ত আঁচনিৰ মুঠ ৯১৪ খন দলং ৫৯৩'০৪ কিঃ মিঃ পকীৰাস্তা আৰু ২৬৮২'৫৩ কিঃ মিঃ শিলগুটি দিয়া ৰাস্তাৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হৈছে ।

ঘ) আবশ্যকীয় পূজিৰ আৱন্টন নোপোৱাৰ বাবে অসম্পূৰ্ণ দলং আৰু ৰাস্তাৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই ।

ঙ) বৰপেটা জিলাৰ দলং আৰু ৰাস্তাৰ মেৰামতিৰ কাম তালিকা (খ) গাঠি হ'ল ।

( See the Annexure—X )

**বিষয়—জনজাতীয় গাওঁ বিলাকৰ ৰাস্তাঘাট ।**

শ্ৰীদেৱকান্ত ৰামছিয়াৰীয়ে সুধিছে :

১৪০ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰ এই বিষয়ে অৱগতনে যে অসমৰ চুকে কোনে থকা জনজাতীয় গাওঁ বিলাকত সোমাবলৈ প্ৰায় ৰাস্তা নায়েই ?

খ) এই জনজাতীয় গাওঁবিলাকৰ ৰাস্তা ঘাট উন্নত কৰি পিছপৰা মানুহ খিনিৰ উন্নয়ণৰ কিবা নতুন পৰিকল্পনা বৰ্ত্তমান চৰকাৰে হাতত লৈছেনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত। এতিয়াও বহু জনজাতীয় গাঁৱলৈ যাতায়াতৰ সুবিধা হোৱাগৈ নাই।

খ) হয়, লোৱা হৈছে।

চলিত বিত্তীয় বৰ্ষৰ নিম্নতম চাঁহিদা আঁচনিৰ অন্তৰ্গত জনজাতীয় গাওঁ বিলাকৰ ৰাস্তাঘাট উন্নয়ণৰ বাবে ৫৯০'০৭ লাখ টকা ধাৰ্য্য কৰা হৈছে। উক্ত ধনেৰে যাতায়াতৰ সুবিধা নথকা গাওঁবোৰলৈহে যাতায়াত ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছে।

*বিষয় ঃ -হস্পিতাল কৰ্ম্মচাৰী।*

শ্ৰীপদ্ম হাজৰীকাই সুধিছে ঃ

১৪১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শোনিতপুৰ জিলাৰ চাৰিদুৱাৰ ৩০ খন বিচনাযুক্ত হস্পিতালখন বৰ্ত্তমান কি অৱস্থাত আছে ?

খ) উক্ত হস্পিতালখন সম্পূৰ্ণ হৈ উঠিলনে ?

গ) যদি উঠিল, বৰ্ত্তমান হস্পিতালখনত প্ৰয়োজনীয় চিকিৎসক, নাৰ্চ অন্যান্য কৰ্ম্মচাৰী নিযুক্তি দিয়া হ'লনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য, আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) চিকিৎসা সেৱা চলি আছে।

খ) আনুস্থানীক উদ্বোধন হোৱা নাই।

গ) সকলো পৰ্য্যায়ৰ পদ সৃষ্টি কৰা হৈছে আৰু সেই সকলক নিয়োগ কৰাও হৈছে।

*বিষয়ঃ— স্বাস্থ্য সেৱাৰ ব্যৱস্থা ।*

শ্ৰীকুমুদ চন্দ্ৰ দাসে সুধিছে :

১৪২ । মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পানেৰি সমষ্টিৰ অন্তৰ্গত প্ৰাথমিক উপ-স্বাস্থ্য কেন্দ্ৰ দুটা (১) উদমাৰী (২) কালিখোলা সম্পুৰ্ণ হোৱাৰ পিচতো এতিয়ালৈকে কোনো স্বাস্থ্য বিষয়া, কৰ্ম্মচাৰী নিয়োগ কৰা হোৱা নাই, চৰকাৰ অৱগতনে ?

খ) চৰকাৰে ইয়াত নিয়োগৰ ব্যৱস্থা কৰি জনসাধাৰণক স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত । গড়কাপ্তানী বিভাগে উদমাৰী আৰু নামখলা (কালিখোলা) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ দুখনৰ ভৱন এতিয়ালৈ স্বাস্থ্য সেৱা বিভাগৰ হাতত অৰ্পন কৰা নাই । কিন্তু উদমাৰী পৰিয়াল কল্যাণ উপস্বাস্থ্য কেন্দ্ৰত এগৰাকী নাৰ্চ ( এ, এন, এম ) আৰু এগৰাকী মহিলা সহায়িকাহে ( Female warden ) কাম কৰি আছে ।

খ) হয়, ভৱনটো গড়কাপ্তানী বিভাগে স্বাস্থ্য সেৱা বিভাগক অৰ্পন কৰাৰ পাচত বিধি অনুযায়ী নিয়োগৰ ব্যৱস্থা লব পৰা যাব ।

*বিষয়ঃ— ৩০ খন বিচনাযুক্ত চিকিৎসালয় ।*

মোস্তফা শহীদুল ইছলামে সুধিছে :

১৪৩ । মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৈৰাবাৰী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত ৩০ খন বিচনা আছেনে ?

খ) বেছামাৰী প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা সেৱা কেতিয়া আৰম্ভ হব জনাবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নামত ৩০ খন বিচনা আছে যদিও ১৮ খন বিচনাহে ৰোগীৰ বাবে ব্যৱহাৰ কৰি থকা হৈছে।

খ) গৃহ নিৰ্মাণৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। গৃহ নিৰ্মান সম্পূৰ্ণ হলে স্বাস্থ্য সেৱাৰ দিহা কৰা হব।

*বিষয় :– কাঠৰ দলং উন্নীতকৰণ।*

শ্ৰীপুলকেশ বৰুৱাই সুধিছে :

১৪৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পাগলাদিয়া নদীৰ ওপৰত হাজো-দোলাশাল-বৰপেটা পথত আদাবাৰীত থকা কাঠৰ দলংখনক পকী দলঙলৈ উন্নীত নকৰাৰ ফলত প্ৰায়ে যাতায়তৰ ব্যৱস্থা ব্যহত হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, উক্ত দলংখনক পকী দলঙলৈ উন্নীত কৰাৰ বাবে চৰকাৰে আচনি হাতত লৈছেনে ?

গ) যদি লছে, চৰকাৰে উক্ত আঁচনিৰ কাম কেতিয়া আৰম্ভ কৰিব জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত।

খ) আঁচনি হাতত লোৱা হোৱা নাই।

গ) প্ৰশ্ন নুঠে।

*বিষয় :— গড়কাপ্তানী পথৰ ক্ষয়ক্ষতি।*

শ্ৰীপ্ৰদান ৰুৱাই সুধিছে :

১৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা বানপানীত জোনাই সমষ্টিৰ কিমান গড়কাপ্তানী পথ ক্ষয়ক্ষতি সাধন হল মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

খ) উক্ত পথ আৰু দলং সমূহ পুনৰ নিৰ্ম্মাণৰ বাবে বিভাগৰ পৰা কিমান টকাৰ আঁচনি চৰকাৰে পাইছে?

গ) উক্ত সমুদায় ধনৰ মঞ্জুৰী দিয়া হৈছে নে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, জোনাই সমষ্টিত যোৱা বানপানীত মুঠ ১৭ ( সোতৰ ) টা পথ ক্ষতি সাধন হৈছে ।

খ] উক্ত পথ আৰু দলং সমূহ পুনৰ নিৰ্ম্াণৰ বাবে মুঠ ১৫৪'৮২ লাখ টকাৰ প্ৰয়োজন হব ।

গ] এতিয়ালৈ মঞ্জুৰী দিয়া হোৱা নাই ।

*বিষয়:-- চতিয়া ৰাজ্যিক চিকিৎসালয় ।*

শ্ৰীপ্ৰবীন হাজৰিকাই সুধিছে ঃ

১৪৬ । মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত চতিয়া ৰাজ্যিক চিকিৎসালয়খন ১৯৯৪-৯৫ চনতে ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় কৰাৰ ঘোষণা কৰিছিল, চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, এই চিকিৎসালয় নিৰ্ম্মান কৰাৰ ব্যৱস্থা লৈছেনে ?

গ] যদি লোৱা হোৱা নাই, তেন্তে চলিত বিত্তীয় বছৰত কামটো কৰাৰ বা লোৱাৰ আঁচনি আছেনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) অৱগত ।

খ) প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে ।

গ( পূজি সাপেক্ষে সিদ্ধান্ত লব পৰা যাব ।

Re : WORKS OF BRIDGE :

Shri Kali Ranjan Deb asked :

147. Will the Minister of P. W. D. be pleased to state :

a] As to why construction Work of Boleswar Bridge in Cachar remained suspended for a very long time, causing untold suffering of the people of that International Border area ?

b] Whether Government is aware that it is strategically a very vital Bridge for movement of our B. S. F. to International Border for guarding the Border area ?

c] Whether Government will please take urgent steps to complete the construction work of that bridge on Warfooting basis ?

Shri Atul Bora [ Minister, P. W. D. ] replied :

a] The work is suspended since December, 95 due to non availability of fund.

b] Yes.

c] Yes.

Re : POSTING OF DOCTORS.

Smti Pramila Rani Brahma asked :

148. Will the Minister of Health & Family Welfare be pleased to state :

a] What is the total numbers of doctors posted in the Kokrajhar R. N. B. Civil Hospital ?

b] How many posts are lying vacant and how many doctors have been working in Kokrajhar C. H. ?

c] It is a fact that all the PHCs and CHCs are not functioning in the Kokrajhat District ?

d] If so, the reasons thereof ?

Dr. Kamala Kalita ( Minister, Health & Family Welfare ) replied :

a) 18 ( Eighteen ) doctors have been posted at R. N. B. Civil Hospital, Kokrajhar.

b) At present 13 doctors have been working and the posts of 10 doctors of different categories are lying vacant.

c) Yes it is a fact.

d) For various reasons.

Re : NEW FERRY SERVICE.

Shri Aminul Islam asked :

149. Will the Minister of Transport be pleased to state :

a) Whether the Government is aware of the fact that, there is no Government Ferry Service between Phulbarighat and Dhubri ?

b) Whether the Government is aware of the fact that, thousands of people are crossing the River Brahmaputra daily between Phulbarighat and Dhubri by privately owned power-pump fitted country boats risking their lives ?

c) Will the Government make necessary arrangement for inducting Ferry Service between Phulbarighat and Dhubri 3 times a day from each side by pressing into service Bigsize but fast moving ships ?

Shri Pradip Hazarika ( Minister of Transport ) replied :

a) Yes.

b) Yes.

c) Government has decided to introduce ferry service in between Phulbarighat and Dhubri from last week of December, 1996.

*বিষয়ঃ— পথ বন্ধ ।*

শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ

১৫০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গুৱাহাটীৰ পৰা হাজো দৌলাশাল হৈ বৰপেটালৈ যোৱা গড়কাপ্তানী পথৰ ৰাস্তা আৰু দলংবোৰ মেৰামতি নকৰাৰ বাবে পোনপটীয়া বাছ চলাচল বন্ধ হোৱাটো সঁচানে ?

খ) যদি সঁচা, কি কাৰণত এই পথটো আৰু ইয়াৰ দলংবোৰ মেৰামতি কৰা হোৱা নাই, যাৰ বাবে পোনপটীয়া বাছ চলাচল বন্ধ হৈছে ?

গ) উক্ত পথত কিমান দিনৰ ভিতৰত মেৰামতি সম্পূৰ্ণ কৰি তুলিব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটীৰ পৰা হাজো দৌলাশাল হৈ বৰপেটা লৈ যোৱা পথটো দলংৰ মেৰামতিৰ কাৰণে পোনপটীয়া বাছ চলাচল বন্ধ হোৱাটো সঁচা ।

খ) দলংবোৰৰ মেৰামতিৰ কাম চলি থকাৰ কাৰণে পথটো বন্ধ ৰখা হৈছিল ।

গ) দলংবোৰৰ মেৰামতিৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰি যোৱা ৩০/১১/৯৬ তাৰিখৰ পৰা যান বাহনৰ কাৰণে পথটো খুলি দিয়া হৈছে ?

Mr. Speaker : Now question hour is over. I have received as many as 6 Zero Hour notices for 13.12.96 in the name of the following Hon'ble Members :

1. Shri Silvius Condpan.
   Shri Adu Saleh Najmuddin.
   Shri Mustafa Shahidul Islam
   Shri Adu Bakkar Siddique Jotder.
   Shri Prithibi Majhi.
2. Shri Bimalangshu Roy.
   Shri Kali Ranjan Deb.
   Shri Sukhendu Shekhar Dutta.
   Shri Sambhusing Mallah.
3. Shri Gahin Ch. Das.
4. Shri Brindaban Goswami.
5 Shri Hitendra Nath Goswami
6. Shri Binod Gowala
   Shri Atul Bora
   Shri Prabin Gogoi
   Shri Hetendra Nath Goswami.

As per rules, I have selected only 3 Zero Hour notices for raising before the House today.

I, now, call upon the Hon'ble Member, Shri Gahin Ch. Das to raise his Zero Hour motion which was published in 'Natun Dainik' dt. 12.12.96 under the caption....... "মুখ্যমন্ত্ৰী সমীপেষু, বিধান সভাৰ চলিত অধিবেশনতে ভূগোল, বুৰঞ্জী বাধ্যতামূলক কৰক"। Now Hon'ble Member, Shri Gahin Ch. Das. will speak.

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ১২/১২/৯৬ তাৰিখৰ নতুন দৈনিক বাতৰি কাকতত এটা বাতৰি পৰিৱেশন হৈছে। এই বাতৰিটো আজি মই বিধান সভাৰ মজিয়াত মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কাৰণ এইটো শিক্ষা বিভাগৰ অতি গুৰুত্বপূৰ্ণ বিষয়। সমগ্ৰ অসমতে এই কথাবিলাক যিকোনো মঞ্চতে আলোচনা হব ধৰিছে আৰু সমালোচনা হৈছে। মৌলিক বিষয় বিশেষকৈ মাধ্যমিক পৰ্য্যায়ৰ বুৰঞ্জী আৰু ভূগোল। এই বিষয় দুটা আচলতে অতি গুৰুত্বপূৰ্ণ বিষয় ১৯৮৬ চনৰে পৰা হাইস্কুল বিলাকত কম্পালচন উঠাই দি এই বিষয় দুটা ঐচ্ছিক বিষয় হিচাবে ধৰা হৈছে। তাৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থাত আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত জ্ঞানৰ কিছু অভাব হৈছে। এটা কথা ঠিক যে যি মানুহে নিজৰ পিতৃৰ কথা নাজানে যি ঠাইত থাকে তাৰ চাৰি সীমাৰ কথা নাজানে তেওঁলোকে জ্ঞানৰ সীমা অপৰিপক্ক হিচাবে হৈ ৰ'ব। বুৰঞ্জী থাকিলে সামাজিক অৰ্থনৈতি আৰু পূৰ্ব্বপুৰুষ সকল কেনেকৈ চলিছিল সেইটো জানিব পাৰিব। বুৰঞ্জীয়ে মানুহক সহায় কৰি আহিছে আৰু ভূগোলেও তেনেকৈ দেশৰ চাৰি সীমাকে আৰম্ভ কৰি কোন ৰাজ্যৰ ৰাজধানী কি, ক'ত পৰ্ব্বত আছে, পাহাৰ আছে, নদী আছে এইটো জানিব পাৰিব। ভৌগলিক জ্ঞান নাথাকিলে জ্ঞানৰ যিটো পৰিবেশ সেইটো আধৰুৱাৰ নিচিনা হব। এই কথা বিলাক বিভিন্ন মঞ্চত আলোচনা হৈ আহিছে। শিক্ষা বিভাগৰ যি খন প্ৰতিবেদন দাখিল কৰা হৈছিল সেই প্ৰতিবেদন মতে তেওঁলোকে চলা নাই। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে শিক্ষা বিভাগটোত গুৰুত্ব দিব লাগে। ভূগোল আৰু বুৰঞ্জী এই বিষয় দুটা যাতে

★ Speech not corrected

পুনৰ কম্পালচৰী কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এই খিনিতে মই আৰু এটা কথা কব বিচাৰিছো আমাৰ অসমীয়া মিডিয়ামৰ স্কুল বিলাকৰ ৰিজাল্ট অতি দুখলগা। কিন্তু ইংৰাজী মিডিয়ামৰ ৰিজাল্ট ভাল। এইটো গেপ কিয় হবলৈ পাইছে। ইয়াৰ ওপৰত চিন্তা চৰ্চা কৰিব লাগে। অসমীয়া লৰা ছোৱালী বিলাকে কম্পিটেটিভ পৰীক্ষা বিলাকত কম্পিট কৰিব নোৱাৰে। আমাৰ ৰাজ্যখনৰ কাৰণে এইটো এটা সাংঘাটিক ব্যৱধান পৰিলক্ষিত হৈছে। নগাওঁত শঙ্কৰ দেৱ শিশু নিকেতন বুলি এখন ইংৰাজী স্কুল আছে সচাকৈ তাৰ প্ৰডাকচন সাংঘাটিক। যি সকলে বৃত্তি পৰীক্ষা দিছে সকলোৱে বৃত্তি পাইছে। যি সকলে মেট্ৰিক পৰীক্ষা দিছে সকলোৱে ফাষ্ট ডিভিজন পাইছে। কিন্তু আমাৰ অসমীয়া মিডিয়ামত পঢ়া সকলে দুই এটাহে ফাষ্ট ডিভিজন পায়। শঙ্কৰ দেৱ শিশু নিকেতন স্কুলত প্ৰথম শ্ৰেণীৰ পৰাই ইংৰাজী, হিন্দী শিকায় কিন্তু আমাৰ স্কুল বিলাকত পঞ্চম শ্ৰেণীৰ পৰাইহে শিকায়। গতিকে আমাৰ স্কুল বিলাকতো শঙ্কৰ দেৱ শিশু নিকেতনৰ নিচিনাকৈ ব্যৱস্থা লব লাগে। মই এই চলিত বিধান সভাৰ অধিবেশনতে ভূগোল আৰু বুৰঞ্জী বিষয়টো বাধ্যতা মূলক কৰিবলৈ অনুৰোধ জনালো। এইটো কৰিলে আমাৰ ছাত্ৰ-ছাত্ৰী সকল উপকৃত হব। এই খিনিকে কৈ মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি তেখেতৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো।

শ্ৰীযতীন মালী (শিক্ষা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীদাস ডাঙৰীয়াই উংথাপন কৰা 'বিধান সভাৰ চলিত অধিবেশনত ভূগোল, বুৰঞ্জী বাধ্যতামূলক কৰক' এই বিষয়টো সম্পৰ্কত আমাৰ দৃষ্টি গোচৰ হৈছে আৰু বৰ্তমান চৰকাৰে এই ক্ষেত্ৰত অৱগত। তেখেতে ভূগোল, বুৰঞ্জীৰ কথাটো

কৈছে। বৰ্তমান ৰাজ্যিক চৰকাৰে ভূগোল বুৰঞ্জীৰ লগত সংস্কৃত বিষয়-টোকো পাঠ্যক্ৰমত বাধ্যতামূলক কৰিব পৰা যায় নেকি তাৰ সম্পৰ্কত এটা সক্ৰীয় চিন্তা চৰ্চা অব্যাহত ৰাখিছে। তাৰে পৰিপ্ৰেক্ষিতত যোৱা ৩ অক্টোবৰ তাৰিখে অসম চৰকাৰৰ প্ৰত্যক্ষ উদ্যোগত আৰু শিক্ষা বিভাগৰ পৰিচালনাত ৰাজ্যিক ভিত্তিত এটা শৈক্ষিত আলোচনা অনুষ্ঠিত হৈ যায়। দিশপুৰৰ জনতা ভৱনত অনুষ্ঠিত হোৱা এই শৈক্ষিক আলোচনাত ৰাজ্যখনৰ তুশ গৰাকী শিক্ষাবিদ, বুদ্ধিজীৱি আৰু সমাজ সচেতন লোকক আমন্ত্ৰণ কৰা হৈছিল। চৰকাৰৰ প্ৰত্যক্ষ উদ্যোগত সদাশয় ব্যক্তি সকলকৰ উপস্থিতিত আৰম্ভ হোৱা শৈক্ষিক আলোচনা উদ্বোধন কৰিছিল মাননীয় মুখ্যমন্ত্ৰী মহন্তদেৱে। সেই আলোচনাত উপস্থিত থকা সকলে তেখেত সকলৰ বিভিন্ন আলোচনাৰ অন্তত কেতবোৰ পৰামৰ্শ আগবঢ়াইছিল আৰু পৰামৰ্শ সমূহ চৰকাৰী পৰ্য্যায়ত বৰ্তমান বিবেচনাধীন হৈ আছে। ভৱিষ্যতে ভূগোল, বুৰঞ্জী আৰু সংস্কৃত বিষয় পাঠ্যক্ৰমত অন্তভূক্ত কৰা সম্পৰ্কত শৈক্ষিক আলোচনাত যি ধৰণে পৰামৰ্শ আহিছিল সেইটো কাৰ্য্যকৰী কৰাব ব্যৱস্থা লব বুলি ইতিমধ্যে বিভাগীয় ধৰণে প্ৰস্তাৱ আগবঢ়াইছে।

Mr. Speaker : I now call upon Hon'ble Member Shri Brindaban Goswami to raise his Zero Hour Motion which was published in 'Dainik Asom' dt. 3-12-96 under the caption. "বনৰীয়া হাতীৰ সংহাৰ মূৰ্তিয়ে গঞ্জাক নিঃস্ব কৰিছে।"

★ শ্ৰীবৃন্দাবন গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উত্তৰাঞ্চলত চলি

★ Speech not corrected

থকা এটা ডাঙৰ সমস্যা গঞা ৰাইজে সন্মুখীন হৈছে। দৈনিক অসম কাকতৰ ৩ ডিচেম্বৰ সংখ্যাত প্ৰকাশ পোৱা 'বনৰীয়া হাতীৰ সংহাৰ মূৰ্তিয়ে গঞাক নিঃস্ব কৰিছে' বাৰ্তাৰিটো বিস্তৃত ভাৱে প্ৰকাশ পাইছে। এই ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো দৃষ্টি গোচৰ কৰিব বিচাৰিছো। বাৰ্তৰিটোত প্ৰকাশ পাইছে যে শোনিতপুৰ জিলাৰ টেকিয়াজুলিৰ পৰা গহপুৰলৈকে অসম আৰু অৰুনাচল প্ৰদেশৰ সীমাত থকা অসমৰ গভীৰ বনাঞ্চল সমূহ বৰ্তমানে উছন হৈ পৰাৰ পৰিপ্ৰেক্ষিৎত দাতি কাষৰীয়া গাওঁ সমমূহৰ লগতে শস্য পথাৰত জাকে জাকে বনৰীয়া হাতীয়ে চলাই থকা উপদ্ৰৱৰ পৰিণতিত জিলাখনৰ ২১৮ খন গাৱঁও কৃষকৰ জীৱনলৈ দুৰ্দশা নামি আহিছে। পথাৰত বনৰীয়া হাতীয়ে চলাই থকা তাণ্ডৱৰ ফলত কৃষকৰ ভৰালৰ তলি উদং হৈ থকাৰ পৰিস্থিতিয়ে দেখা দিছে। এই ক্ষেত্ৰত বন বিভাগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ ক্ষোভত হাতীৰ সন্ত্ৰাসত অতিষ্ঠ হৈ পৰা গঞা ৰাইজে বন বিভাগৰ কাৰ্য্যালয় ঘেৰাও, গাড়ী ধ্বংস কৰাৰ দৰে ঘটনাও জিলাখনত সংঘটিত হৈছে। উল্লেখযোগ্য যে জিলাখনৰ টেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত চাৰিদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ দাতি কাষৰীয়া ৩৭ নং গাৱঁত হাতীয়ে যোৱা কুৰি দিনৰ পৰা ব্যাপক হাৰত উপদ্ৰৱ চলাই আছে। উক্ত ৰাজহ চক্ৰৰ পাছলনাৰায়ণ খাত ইগ্ৰাজুলি, ডিপাৰস্তি, ঝাৰ গাওঁ, বৌমাৰী, মাজবৌমাৰী, ইগ্ৰাজুলি বঙালী গাওঁ, বেলশিৰি, তৰাজান, মিছামাৰী, ঢেকি পেলোৱা, গৰুবন্ধা, পানবাৰী, ঘগৰা, ঘগৰা কছাৰীগাওঁ, শান্তিপুৰ, বাতচীপুৰ, মিজিকাজান, বৰিগাওঁ, গটঙা, বালিসুতি প্ৰমুখ্যে গাওঁ সমূহত ৩০–৪০ টা হাতীৰ দলবদ্ধ এজাটা জাকে প্ৰবেশ কৰি বাসিন্দা সকলৰ ঘৰ দুৱাৰ ভঙাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। তাৎপৰ্য্যপূৰ্ণ যে উল্লেখিত গাওঁ সমূহৰ

কৃষকে হাতীৰ উপদ্ৰৱৰ প্ৰতিৰোধৰ হেতু ব্যৱস্থা গ্ৰহণ কৰিবলৈ সঘনাই জনাই অহাৰ পাছতো বন বিভাগে কোনো ব্যৱস্থা গ্ৰহন নকৰাত ক্ষোভিত হৈ ৰাইজে যোৱা ২০ নবেম্বৰৰ দিনা লখৰা গাৱঁত বন বিভাগৰ তহল-দাৰী দল এটাক মাৰপিট কৰাৰ উপৰিও তহলদাৰী দলটো অহা জীপ গাড়ীখনৰ ক্ষতি সাধন কৰে। আনহাতে জিলাখনৰ নতুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ৩০ খন গাৱত নতুৱাৰ বনাঞ্চলৰ ভিতৰ ভাগৰ পৰা নিশাৰ ভাগত জাকে জাকে অহা হাতীয়ে পথাৰত ক্ষতি সাধন কৰাৰ লগতে ঘৰ দুৱাৰ ভাঙি ৰাইজৰ জীৱন শংকিত কৰি তুলিছে। ইপিনে জিলা-খনৰ বিশ্বনাথ মহকুমাৰ অন্তৰ্গত প্ৰায় শতাধিক গাৱত চলাই থকা বনৰীয়া হাতীৰ উপদ্ৰৱে ভয়াবহ ৰূপ ধাৰণ কৰিছে। জানিব পৰামতে বিশ্বনাথ মহকুমাৰ পাভৈ উত্তৰাঞ্চলৰ বিজয়পুৰ, কাবিৰুক. পামবস্তি, আহবাৰী. ভকলাগাওঁ, কটাবস্তি, মিজিকা অংগলবস্তি প্ৰমুখ্যে বহু কেই-খন গাৱৰ ৰাইজৰ খেতি পথাৰৰ শস্য. বাস গৃহ হাতীৰ উপদ্ৰৱত বিস্তৰ ক্ষতি সাধন হৈছে। যোৱা ৩ নবেম্বৰত জয়পুৰ গাৱৰ আনন্দক হাতীৰ জাক এটাই শুৰেৰে উলিয়াই আনি থেকেচি মৰাৰ ঘটনাই সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে। সমগ্ৰ পাভৈ অঞ্চলতে বনৰীয়া হাতীয়ে চলোৱা উপদ্ৰৱ ৰোধ কৰাৰ বাবে বন বিভাগক স্থানীয় ৰাইজে ৰাজহুৱা ভাৱে জনোৱা সত্বেও বন বিভাগে কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহন নকৰাত ১৯ নবেম্বৰৰ দিনা উক্ত অঞ্চলৰ ৰাইজে বনাঞ্চলিক বিষয়াৰ কাৰ্য্যালয় ঘেৰাও কৰে। ৰাইজে বনাঞ্চলিক বিষয়া গৰাকীক কেবাটাও দাবী সম্বলিত স্মাৰক পত্ৰও প্ৰদান কৰে। পৰিস্থিতি অধিক জটিল হৈ পৰাত ঘটনাস্থলীত মহকুমা আৰক্ষী বিষয়া গৰাকী উপস্থিত হৈ স্মাৰক পত্ৰত উল্লেখ কৰা দাবী সমূহৰ সমাধানৰ প্ৰতিশ্ৰুতি দিয়াতহে

ৰাইজে যেৰাও কাৰ্যসূচী প্ৰত্যাহাৰ কৰে । একেদৰেই বিহালী, বেদেতী, হেলেম আৰু গহপুৰ অঞ্চলৰ বনাঞ্চললৈ কাষৰীয়া গাওঁ সমূহতো বন-ৰীয়া হাতীৰ জাকে ঘৰ দুৱাৰ ভাঙি পথাৰৰ শস্য নষ্ট কৰি ৰাইজৰ বিস্তৰ ক্ষতি সাধন কৰি আছে বুলি জানিব পৰা গৈছে । পূৰ্বৰ কোনো বছৰেই দেখিবলৈ নোপোৱা বনৰীয়া হাতীৰ জাক বৰ্তমানে তেজপুৰ চহৰৰ দাতি কাষৰীয়া হলেশ্বৰ, মিলনপুৰ, ঘটঙা মিছন চাৰিআলি, বৰঝাৰ গাওঁ তেলেৰীয়া, পক্ষীয়াঝাৰ, বিন্দুগুৰি, ডেকাগাওঁ প্ৰমুখ্যে অঞ্চল সমূহত বিচৰণ কৰি বৃহৎ পথাৰৰ পকা ধান নষ্ট কৰাটো পৰিলক্ষিত হৈছে । এই দৰে প্ৰতি বছৰে হাতীয়ে দুৰৱস্থা কৰিয়াই আহিছে । সেই কাৰণে পৰামৰ্শ হল বনৰীয়া হাতী বিলাক খেদাই পঠাব লাগে আৰু ক্ষতিগ্ৰস্ত ৰাইজক সকাহ দিবৰ কাৰণে পানী যোগান আৰু শস্য যোগানৰ ব্যৱস্থা কৰিব লাগে ।

★ শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, উত্তৰ অঞ্চলৰ কথা নহয় ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেও মোৰ সমষ্টিত এই ঘটনা হৈ আছে । ১৫ জন মানুহ মাৰিছে ।

★ শ্ৰীনগেন শৰ্ম্মা ( বন বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বনৰীয়া হাতীয়ে অসমৰ কৃষক ৰাইজৰ খেতি-পথাৰ নষ্ট কৰা সম্পৰ্কত চৰকাৰ অৱগত । আপোনালোকে নিশ্চয় জানে যে ১৯৯৩ চনৰ চেনচাচ অনু-সৰি অসমত ৫,৫০০ টা হাতী আছিল, আৰু ১৯৯৬ চনত ইয়াৰ সংখ্যা বাঢ়ি গৈ ৬,৪০০ টা বুলি অনুমান কৰা হৈছে । ভাৰতবৰ্ষত থকা হাতীৰ সংখ্যা শতকৰা ৫০ ভাগ আমাৰ অসমতে আছে । কিন্তু ১৯৪৭ চনৰ পিছৰ পৰা ক্ৰমাগতভাৱে অসমৰ ভৌগলিক সীমা সৰু হৈ আহিছে আৰু অসমৰ বনাঞ্চল ক্ৰমান্বয়ে কমি আহিছে । ১৯৫০ চনৰ পৰা ১৯৯৫

★ Speech not corrected

চনৰ শেহলৈকে তাত চেটেলাইট পিকচাৰৰ পৰা ঘোষণা কৰিছে যে অসমত বনাঞ্চল কমি আহিছে। বনাঞ্চল বিলাকো ক্ৰমান্বয়ে ধ্বংস হৈছে। এনেদৰে বনাঞ্চল ধ্বংশ হৈ থাকিলে বনৰীয়া জীৱ-জন্তু বাহিৰলৈ অহাটো স্বাভাৱিক। নাগালেণ্ড, মিজোৰাম আদি অঞ্চলত থকা হাতীবোৰ অসমৰ বুকুলৈ নামি আহিছে। তাৰোপৰি উত্তৰ কাছাৰ, মিকিৰ পাহাৰ আৰু কাছাৰ বনাঞ্চলত থকা হাতীবোৰ বাহিৰলৈ ওলাই আহিছে। সেই কাৰণে মই দেখিছো যে যোৱা ৬ মাহত যথেষ্ট সংখ্যক খেতি-পথাৰ আৰু ঘৰ-দুৱাৰ নষ্ট কৰিছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, অসমত যদিও এলি-ফেণ্ট প্ৰটেকচনৰ ব্যৱস্থা আছে সেইবোৰ তেনেই নগন্য। একোটা হাতীৰ জাকত প্ৰায় আঢ়ৈশ বা তিনি শ একেলগে ওলাই আহে। মই যোৱা পৰহি এটা খবৰ পাইছো অৰুণাচল প্ৰদেশ, শালনী আদিত প্ৰায় ৪০০ হাতী আছে। সেই হাতীবোৰ নামি আহি ৰাইজৰ খেতি-পথাৰ নষ্ট কৰিছে। আমাৰ ২ বা ৪ জন বনকৰ্মীয়ে হাতী খেদাটো সম্ভৱ নহয়। আমি কেন্দ্ৰীয় চৰকাৰক বাৰে বাৰে জনাইছো যে অসমত হাতী ধৰাটো পৰম্পৰা নিয়ম আছে। অতীজৰে পৰা হাতী ধৰাটো আমাৰ হস্ত বিদ্যাই প্ৰমাণ কৰি দেখুৱাইছে। ইয়াক বন্ধ কৰি দিয়া কাৰণে হাতী ধৰিব নোৱাৰিব। এই আইনখনৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক বাৰে বাৰে অনুৰোধ জনাইছো। স্মাৰম পত্ৰ প্ৰদান কৰিছো। আমাক হাতী ধৰি-বলৈ অনুমতি দিয়ক আৰু সমগ্ৰ ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ লগত তুলনা নকৰি ইয়াৰ সমাধানৰ কাৰণে চেষ্টা কৰিব লাগে। এই হাতীয়ে ১২ ঘণ্টাত ১৬ কিলোমিটাৰ ঘুৰে। গতিকে ৫ হেজাৰ হাতীয়ে কিমান পথ অতিক্ৰম কৰিব সেইটো সহজে অনুমেয়। ইমানবিলাক হাতীৰ ভিতৰত এটা হাতী যদি ধৰিব পৰা যায় তেতিয়া আমি নিশ্চয় কিছু অন্তঃত সকাহ পালেহেঁতেন। বিশেষকৈ অসম নাগালেণ্ড, অসম অৰুনাচল, কচুগাওঁ,

ঢেকীয়াজুলি, বালিপাৰা, গহপুৰ আদি অঞ্চলবিলাক জনবসতিপূৰ্ণ। সেই বিলাক ঠাইলৈ হাতী নামি আহি খেতি-পথাৰ নষ্ট কৰে। এইটো নহয় যে সেইবিলাক ঠাইত যাদু মাৰি দিলে হাতী নাইকীয়া হৈ যাব। এতিয়ালৈকে প্ৰায় ৪০০ মান গুলী ব্যৱহাৰ কৰিবলগীয়া হৈছে। তথাপি খেদিব পৰা নাই। যোৱা কালি আমি এটা ফেক্সবাৰ্ত্তা পঠিয়াইছো যে অসমত হাতী ধৰিবলৈ দিয়ক নহলে ইহঁতৰ উপদ্ৰৱ নকমিব।

Mr. Speaker :- I now call upon Hon'ble Member Shri Binod Goala and other three Hon'ble Member to raise their Zaro Hour Notice which was published in the Dainik Asom under the caption'' অসম চেনিকলৰ অচলাবস্থা।

★ শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮-১২-৯৬ তাৰিখে 'নতুন দৈনিক' কাকতত প্ৰকাশ হোৱা চেনী কলৰ বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। গোলাঘাট জিলাৰ অন্তৰ্গত বৰুৱা বামুণ গাওঁৰ ১৯৫৫ চনত এটা চেনীকল প্ৰতিষ্ঠা কৰা হৈছিল। ১৯৫৮ চনৰ পৰা সেই চেনী কলটোৰ কাম আৰম্ভ কৰিছিল আৰু তেতিয়াৰ পৰা সেই চেনী কলটোৰ ব্যক্তিগত খণ্ডৰ অংশীদাৰ নাছিল। ১৯৫৮ চনৰ পৰা ১৯৯১-৯২ চনলৈকে সমবায় খণ্ডৰ জৰিয়তে চেনী কলটো চলি আছিল। কিন্তু যোৱা ১৯৯৩ চনত বিগত কেন্দ্ৰীয় চৰকাৰে বোম্বাইৰ এজন ব্যক্তিৰ ওচৰত ৪৯ বছৰৰ কাৰণে লিজ কৰি দিয়ে। ৪৯ বছৰ লিজত লোৱা ব্যক্তিজনৰ কোনো অভিজ্ঞতা নথকাৰ কাৰণে ক্ৰমান্বয়ে দেউলীয়া হবলগীয়া হৈছে। যিহেতুকে প্ৰায় ৮০০ শ শ্ৰমিকে ১৪ মাহে

★ Speech not corrected

দৰমহা পোৱা নাই। ফলত চেনী কলটো অচল হৈ থাকিবলগীয়া হৈছে। যিহেতুকে ৪৯ বছৰ কাৰণে আগৰ চৰকাৰে এজন বাহিৰা মানুহক চেনী কলটো লিজত দিয়াৰ কাৰণে সেই সময়ত আমি সকলোৱে বিধান সভাত প্ৰতিবাদ কৰিছিলো যে চেনী কলটো ব্যক্তিগত খণ্ডত দিব নালাগে। কোনো প্ৰতিবাদ নুশুনি চৰকাৰে চেনী কলটো হস্তান্তৰ কৰিলে। এই কলটোত প্ৰতি বছৰে প্ৰায় ৩০ হেজাৰ কুইন্টল চেনী উৎপাদন হৈছিল। কঁুহিয়াৰ যোগান ধৰা খেতিয়ক সকলৰ লগত সম্পৰ্ক নথকাৰ কাৰণে খেতিয়ক সকলে কঁুহিয়াৰ খেতি কৰিবলৈ বন্ধ কৰিবলগীয়া হৈছিল। চেনী কলটো সমবায় খণ্ডৰ পৰা ব্যক্তিগত খণ্ডলৈ নিয়া হল যদিও মই ভাবো এই ৪৯ বছৰে যিখিনি অভাৱ অনুভৱ কৰিবলগীয়া হৈছে সেই-খিনি দূৰ কৰি চেনী কলটো পুনৰ চলোৱাৰ ব্যৱস্থা কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক বিধান সভাৰ জৰিয়তে অনুৰোধ জনালোঁ। সৰুপথাৰৰ প্ৰায় ১৫ হেজাৰ কৃষকে চেনী কলৰ কাৰণে কঁুহিয়াৰ যোগান ধৰিছিল। সৰুপথাৰ আৰু বৰপথাৰ অঞ্চলৰ ৰাইজে এতিয়াও ৩২ লাখ টকা পাবলৈ বাকী আছে। কঁুহিয়াৰ যোগান ধৰা খেতিয়ক সকলৰ ৩২ লাখ টকা ব্যক্তিগত খণ্ডৰ মালিকৰ পৰা টকাখিনি উলিয়াই দিবৰ কাৰণে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। যিটো বৰ্ত্তমান বন্ধ হৈ আছে। যি সকল শ্ৰমিকে ১৪ মাহে দৰমহা পোৱা নাই। তেখেত সকলৰ পৰিয়ালৰ লৰা-ছোৱালীৰ দুখ-দুগৰ্তি লাঘৱ কৰিবৰ কাৰণে মই আজি এই সদনত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো।

★ শ্ৰীপ্ৰবীন গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই অতি দুখেৰে জনাওঁ যে অসমৰ আটাইতকৈ পুৰনি আৰু একমাত্ৰ চেনীকল, যিটো বৰুৱা বামুণ

★ Speech not corrected

গাৱঁত অৱস্থিত, আমাৰ শ্ৰদ্ধেয় ৰবীন কাকতি ডাঙৰীয়াৰ আশাসুধীয়া প্ৰচেষ্টাত সমবায় ভিত্তিত গঢ় লৈ উঠিছিল আজি প্ৰায় ৪৯ বছৰীয়া পুৰণি চুগাৰ মিলটোৰ অৱস্থা একেবাৰে শোচনীয়। আজি ইমান বছৰে সমবায় ভিত্তিত খেতিয়ক ৰাইজে এই চুগাৰ মিলটো চলাই আছিল। সমবায় সমিতিয়ে এই মিলটোৰ উন্নতিৰ বাবে চৰকাৰৰ ওচৰত ঋ্ন বিচাৰিছিল কিন্তু চৰকাৰে ঋ্ন মঞ্জুৰ নকৰিলে। পিছত ১৯৯২ চনত কাৰো বা কোনো খেতিয়ক মতামত নোলোৱাকৈ এজন ব্যৱসায়ী ব্যক্তি্ল হস্তান্তৰ কৰা হ'ল। এই ব্যক্তিজন এজন অসমীয়া ব্যক্তি আৰু এই চুগাৰ মিলৰ মালিকজন বোম্বাই ফালৰ। আজি ইমান বছৰীয়া পূৰণি চুগাৰ মিলটোৰ কাৰণে সমবায় মাত্ৰ তিনি কৌটি তেষষ্ঠি (৩,৬৩,০০০০০). লাখ টকা চৰকাৰৰ পৰা বিচাৰিছিল। কিন্তু তাকে চৰকাৰে নিদিলে। তাকে নকৰি ব্যক্তি বিশেষক এই মিলটো অপ্ন কৰিলে। আকৌ আমি জনামতে এই ব্যক্তি বিশেষক সেই তিনিকোটি তেষষ্ঠি লাখ টকা বেংক ঋ্ণ হিচাবে দিলে। অধ্যক্ষ মহোদয়, আমি আচৰিত হওঁ যে ৪৮ বছৰ চলাৰ পিছত এই চুগাৰ মিলৰ লোকচান খাবলগীয়া হৈছিল এই তিনি কোটি ৬৩ লাখ টকা। তাকে দিবলৈ চৰকাৰ প্ৰস্তুত নহ'ল। আজি আমি জনাত তিনি চাৰি বছৰৰ ভিতৰতেই এই ব্যৱসায়ী জনে পাচ কোটি ৮৭ লাখ টকাৰ বেংকৰ ঋণ দিবলৈ বাকী আছে। অৰ্থাত সেইখিনি টকা তেওঁলোকে লোকচান ভৰিছে। অধ্যক্ষ মহোদয়, আজি ১৪ মাহ ধৰি তাৰ কৰ্ম্মচাৰীয়ে দৰমহা পোৱা নাই। তেওঁলোকৰ পৰিয়ালৰ আজি দুখৰ সীমা নোহোৱা হৈছে। আগতে এই চুগাৰ মিলৰ কৰ্ম্মচাৰী সকলে আৰু খেতিয়ক সকলে অৰ্থনৈতিক ভাবে ৰাজ্যখনক উন্নতিৰ ক্ষেত্ৰত এক অৰিহনা যোগাই আহিছিল। কিন্তু আজি এই চুগাৰ মিলৰ অচলাৱস্থা তেওঁলোকৰ দুখ কুলাই পাচিয়ে নধৰা কৰিছে। গতিকে মই এই পবিত্ৰ সদনৰ

জৰিয়তে চৰকাৰক অনুৰোধ জনাওঁ, যাতে এই মিলৰ কৰ্ম্মচাৰী সকলৰ প্ৰতি দয়াৰ চকুৰে চাই আৰু এই চুগাৰ মিলটো পুনৰ উন্নয়ণৰ কাৰণে সাহাৰ্য্য কৰে। তেতিয়া হলে আমাৰ বহুতো সমস্যাৰ সমধান হ'ব। বিশেষকৈ পাৱাৰ লাইনটো দিয়াৰ কাৰণে চুগাৰ মিলৰ চৌহদটো বৰ্ত্তমান একেবাৰে অন্ধকাৰ হৈ থাকে, যাৰ ফলত মিলৰ কাৰ্য্যালয়ৰ বহুতো বস্তু চুৰি হৈ যায়। এইবোৰ অপকৰ্ম্ম'ৰ পৰা হাত সাৰিবলৈ হলে ইলেক্ট্ৰিচিটিৰ নিতান্তই প্ৰয়োজন। সেয়েহে পাৱাৰ লাইনৰ ব্যৱস্থাটো অতি সোনকালে কৰিব বুলি মই চৰকাৰক টানি অনুৰোধ জনালোঁ। আৰু এই মিলটোৰ পুনৰ উথাপনৰ কাৰণে চৰকাৰে আশু ব্যৱস্থা হাতত লব বুলি বিষয়টো বিশেষ ভাবে সদনৰ দৃষ্টি আকৰ্ষণ কৰি ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিনোদ গোৱালাৰ ডাঙৰীয়া আৰু মাননীয় সদস্য প্ৰবীন গগৈ ডাঙৰীয়া এই শূণ্য সময়ত কৰা চেনী কলৰ সম্পৰ্কত যি বক্তব্য ডাঙি ধৰিলে সেই বিষয়ত মোৰ দৃষ্টি আকৰ্ষিত হৈছে। কথা হ'ল, এই চেনী কলটো সমবায়ে ব্যক্তিগত ব্যৱসায়ীক লিজত ৪৯ বছৰৰ কাৰণে দি দিছিল। কিন্তু মিলটো ঠিকমতে নচলিলে কাৰণে শ্ৰমিকে মালিকৰ কথা কয় আৰু মালিকে শ্ৰমিকৰ কথা কৈ দোষ সাৰিব বিচাৰে। এই বিষয়ে বিভিন্ন মহলে, বিভিন্ন ভাৱে মিলটোৰ অচলাৱস্থাৰ কথা আমাক অবগত কৰিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা তৎকালীন ভাবে ব্যৱস্থা লবলৈ আইনগত কিছুমান অসুবিধা আছে। সেয়েহে চৰকাৰে সম্পূৰ্ণভাবে সিদ্ধান্ত লব পৰা নাই। যদিও আজি কৰ্মচাৰী সকলে বহুদিন ধৰি দৰমহা আদি নোপোৱাৰ কাৰণে তেওঁলোকৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে, এই কথাটো আমাৰ

★ Speech not corrected

অৱগত হৈছে, তথাপি আইনগত কিছুমান অসুবিধা থকাৰ কাৰণেই ব্যৱস্থা লব পৰা হোৱা নাই যদিও, যোৱা মাহত এই বিষয়ে আমাৰ এখন বৈঠক হৈ গৈছে। আমি নিশ্চয় সমধানৰ বাবে চেষ্টা কৰিম। তাৰ বাবে আমি সকলোৰে সহাৰি আৰু সহযোগ বিচাৰিলোঁ।

Shri Sukhendu Sekhar Dutta : Sir, may I draw your attention where there is a similar case in respect of Cachar Sugar Mill. This mill is almost dead. This year only the agriculturists have started cultivating sugarcane. Will the Government consider for revival of the mill.

## NOTICE OF DISAPPROVAL MOTION

Mr. Speaker : It requires separate question. Now Zero Hour question is over. I have received a notice of motion under Rule 133(1) and (2) from the following Hon'-ble Members viz.

1. Dr. Silvius Condpan.
2. Shri Ardhendu Kumar Dey.
3. Shri Sarat Borkataky and 12 others disapproving the actions of the Minister in-charge of Home.

I find that the motion is in order.

The motion is that-

"The House disapproves the actions of the Ministers in-charge Home on the following grounds".

i) Deterioration of law and order.

ii) Killing of innocent people.

iii) Unchecked extortion of Money by the extremists/ miscreants.

iv) Failure of department to protect the life and property of the people.

v) Increase of ethnic violence. "I find that the Motion is in order. Now, I request the Members who are in favour of leave being granted to rise in their places. Since the more numbers of Members than required in favour of leave being granted to rise in their places. I inform the House that leave is granted to move the motion. The motion will be taken up in a day as per rule in consultation with the Business Advisory Committee. Now Item No.2

★ Shri Hitendra Nath Goswami : Mr Speaker Sir, I want to seek a clarification from the Hon'ble Speaker. আপুনি পাৰমিচন দিলে মই এক লাইনমান কব পাৰো নেকি ? চাৰ মাত্ৰ এক লাইন কব বিচাৰিছো। your ruling is final we are not questioning your ruling. মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ৰুলীংটো আমি সন্মান জনাইছো কিন্তু এইবাৰৰ বিধান সভাত এই বিষয় সমূহলৈ সদনত আলোচনা কৰা আৰু তাৰোপৰি বাজেট উথাপন কৰাৰ পাচত চেনচোৰ মোশ্যনৰ সম্পৰ্কত বহু কথাই আলোচনা কৰাৰ স্কোপ আছে গতিকে তেতিয়াই এই বিষয়ে আলোচনা কৰিব পাৰিম।

★ Speech not corrected

★ শ্ৰীচিলভিউচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ৰুলীংটো আমি কুৰেচন কৰা নাই।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, চেনচোৰ মোশ্যনৰ বেলিকা অইন কোনো প্ৰশ্ন নাহে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি আপোনাৰ ৰুলীংৰ ওপৰত কোনো কুৰেচন কৰিব বিচৰা নাই কিন্তু বাজেট উথাপন কৰাৰ কালত ৰাজ্যখনৰ এগু আৰ্ডাৰকে ধৰি বিভিন্ন বিষয়ত আমি আলোচনা কৰিবলৈ স্কোপ পাম যি বিলাক নেকি চেনচোৰ মোশ্যনত আহিব পাৰে। গতিকেই— (সদনত হুলস্থুল পৰিবেশ)

★ Dr. Ardhendu kumar Dey : Sir, if the House is mislead by any member that member can be guided by another member.

★ Shri Chandra Mohan Patowary (Minister) : point of clarification Sir.

Mr. Speaker : Let me say.

